চান্দমামা

এপ্রিল ১৯৯৫



উৰি গ'ল পাখি মেলি কৈ গ'ল কি? উৰণৰ আচল শক্তি দিয়ে যি,

পাৰ্লে-জি

সোৱাদ ভৰা, শক্তি ভৰা।

ভাৰতৰ সৰ্ব্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/172-as

পোলিঅ’প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ’**	**পোলিঅ’**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল’ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

চান্দমামা

এপ্ৰিল ১৯৯০

এই সংখ্যাত আছে

শিশুইঁতৰ বাবে : ৭	সোণৰ ময়ূৰ : ৩৭
পৃথিৱীৰ খিৰিকীৰে : ৯	আমোদৰ দাম : ৪২
সাহস ক'ত থাকে : ১০	সমবাদ-বি-সমবাদ : ৪৪
মাছধৰা-কলা : ১৫	মহাভাৰত : ৪৫
অতুল-সুন্দৰী : ১৭	বলীনৰ অনুমান : ৫২
যোগ্য-অযোগ্য : ২৫	চান্দমামা-ক্ৰোড়পত্ৰ : ৫৩
জন্ম-পত্ৰিকা : ৩১	বন্ধুত্বনাশী : ৫৭
ভাৰতৰ দুৰ্গ : ৩৩	শেষ সন্মান : ৬৩

ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ : ৬৫

চান্দমামা : গনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

ভাল নে কাল ?

বছৰেকীয়া পৰীক্ষা প্ৰায়ভাগৰে হৈ গ'ল, কিছুমানৰ কিজানি এতিয়াও চলি আছে। এই পৰীক্ষা হল এক বছৰেকীয়া সাধাৰণ বিষয়, পৰীক্ষা দিব লাগে, উত্তীৰ্ণ হ'ব লাগে, কিয়নো পৰৱৰ্তী শ্ৰেণীত নামটো লগাব লাগে।

আমাৰ বক্তব্য : এনেবিধৰ পৰীক্ষাৰে প্ৰকৃততেই প্ৰকৃত যোগ্যতাৰ পৰিমাপ পাব পাৰিনে ? সমগ্ৰ দেশৰ পৰীক্ষা-চিত্ৰই কিন্তু বৰ আশাব্যঞ্জক উত্তৰ নিদিয়ে এই প্ৰশ্নৰ।

১৯৮৯ চনত দেশৰ মোটামুটি ২০ খন ৰাজ্যৰ ৬০,০০০ ছাত্ৰ-ছাত্ৰীৰ মাজত তিনি বছৰ ধৰি এক সমীক্ষা চলোৱা হৈছিল, আৰু তাৰ পাছত তাৰপৰা নিম্নলিখিত তথ্যপাতি জনা গৈছিল : অধিকভাগ ছাত্ৰ-ছাত্ৰীয়েই সিহঁতৰ পাঠ্যপুস্তকৰ 'মাত্ৰ পৰীক্ষাত আহিবপৰা' বিষয়ৰ বাহিৰে আন একোকে নপঢ়ে বা নাজানে, আৰু সিহঁতক সেইবোৰৰ বাহিৰে একো শিকোৱাও নহয়। কিয়নো, পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱেই যে সাৰ কথা, সিহঁতে মাত্ৰ তাকে জানি, মাত্ৰ সেইখিনিলৈহে চকু ফুৰোৱা হয় আৰু সেইখিনি কেনেবাকৈ পাৰিলেই তাক 'ভাল' বুলি যে কোৱা হয়, সেয়ে সেই ছাত্ৰৰৰ 'কাল' হয় ; ছাত্ৰ-ছাত্ৰীয়েও পৰীক্ষাৰ বাহিৰে আৰু কিবা থাকিব পাৰে বুলি নভবা হয়, অভিভাৱকসকলো তুষ্ট হয়। দেশৰ ডাঙৰ ডাঙৰ নগৰকেইখনৰ ছাত্ৰছাত্ৰীসকল অৱশ্যে কিঞ্চিত আগবঢ়া, কিন্তু সাৰ্বিকভাৱে এইদৰেই আমাৰ ভবিষ্যৎ হৈ পৰিছে পিছ পৰা!

আমি কেইখোজমান আগ বাঢ়িব নোৱাৰোঁনে ?

বছৰ : ২০   এপ্ৰিল ১৯৯৫   সংখ্যা : ১

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা





চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পৃথিৱীৰ খিৰিকীৰে

১০০০ দিনীয়া থৈয়া-নথৈয়া

যোৱা নৱবৰ্ষত যেতিয়া পৃথিৱীৰ গিৰ্জাই গিৰ্জাই ঘণ্টাধ্বনিৰে নৱবৰ্ষক আদৰা হৈছিল, তেতিয়া বছনিয়া-হেৰ্জ্‌গোবিনাত শুনা গৈছিল বৰতোপৰ বিকট ধ্বনি। সেই দেশৰ জনসাধাৰণ কিন্তু এই কথাত আচৰিত নহৈছিল, কিয়নো এয়া আছিল—তেওঁলোকৰ বাসভূমিৰ অতি সাধাৰণ-স্বাভাৱিক কথা। কিন্তু যেতিয়া এদিন বৰতোপৰ গৰ্জন বন্ধ হ'ল, তেতিয়া যদিও তেওঁলোকৰ আচৰিতেই হ'ল, তথাপি ভালেই পালে। শ্লাৱোনিয়া, ক্ৰোৱেশিয়া, ম্যাছিদনিয়াৰ লগতে বছনিয়া-হেৰ্জ্‌-গোবিনাও য়ুগোশ্লাভিয়্যাৰপৰা পৃথক হৈ গ'ল। এই কথাতে ১০০০ দিন ধৰি থৈয়া-নথৈয়া চলিছিল। এতিয়া কেৱল ছাৰ্বিয়া, মঁতেনেগ্ৰ', য়ুগোশ্লাভিয়াৰ সৈতে থাকিল।

ম্যাছিদনিয়া বাদে আন তিনিও গণৰাজ্যত হিংসাশ্ৰয়ী ঘটনা ঘটিছিল। য়ুগোশ্লভিয়াৰ সৈন্য-বাহিনীত ছাৰ্বিয়াৰ মানুহেই অধিক। এওঁলোকে ৩৩ মাহ ধৰি বছনিয়া আৰু হেৰ্জগোবিনাত ভয়ংকৰ যুদ্ধ চলাইছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত— ১৯৪৫ চনৰ পাছত—ইউৰোপীয় যুদ্ধই নতুনকৈ মূৰ দাঙিছিল যে—এয়া তাৰেই অনিবাৰ্য্য পৰিণাম।

ছাৰ্বইতে অধিকসংখ্যক মুছলমান আৰু কিছু-সংখ্যক খৃষ্টানৰ বিৰুদ্ধে যুঁজি আছে। ৰাজধানী সৰাজিনোৰ বিমানকোঁঠ ছাৰ্বইতে অধিকাৰ কৰিলে। আৰু তাৰ ফলত ভাত-ৰাষ্ট্ৰসংঘৰ শান্তি-ৰক্ষী বাহিনীয়ে তেওঁলোকৰ কৰ্তব্যকৰ্ম কৰিব নোৱাৰিলে। যিবোৰ ঠাইত যুদ্ধই ভয়াবহ ৰূপ লৈছিল, সেইবোৰ ঠাইত তীব্ৰ খাদ্যাভাৱ হৈছিল আৰু তালৈ খাদ্য-সামগ্ৰী প্ৰেৰণ অসম্ভৱ হৈছিল।

তেতিয়া আমেৰিকা ৰুশ্, ফ্ৰান্স, জাৰ্মানি আৰু বৃটেইন এই পঞ্চশক্তিৰ মিলিত এক কমিটিয়ে শান্তিস্থাপনৰ প্ৰচেষ্টা কৰি থাকিল। কিন্তু—এই শান্তি কমিটিৰ প্ৰস্তাৱ—যুদ্ধৰত কোনো পক্ষয়েই গ্ৰহণ নকৰিলে।

তাৰ পাছত অন্য প্ৰস্তাৱ। সেই প্ৰস্তাৱত কোৱা হ'ল যে দেশৰ ৪৯ ভাগ মাটি ছাৰ্বইতক দিয়া হওক, আৰু বাদবাকী আনবিলাকক।

পঞ্চশক্তিৰ এই প্ৰস্তাৱ মুছলমান শাসকসকলে স্বীকাৰ কৰি ল'লে, ক্ৰোৱেশীয় লোকসকলেও মানি ল'লে। আৰু তেতিয়া ৰাষ্ট্ৰসংঘই শান্তি স্থাপনৰ বাবে এই দেশলৈ আমেৰিকান সৈন্যবাহিনী পঠালে। কিন্তু ছাৰ্বসকলে আমেৰিকান সৈন্যৰ কথাত ঘোৰ আপত্তি উত্থাপন কৰাত আমেৰিকাই এই বুলি হুমিয়ালে যে তেনেহ'লে বছনিয়াক অস্ত্ৰ দিয়া হ'ব। ছাৰ্বসকলে তেতিয়া আমেৰিকাৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি জিমি কাৰ্টাৰক খাটিলে। কাৰ্টাৰে আমেৰিকা-কোৰিয়াৰ মাজত শান্তি-স্থাপক ৰূপে খ্যাতি আৰ্জিছিল, এইবাৰ তেওঁ ছাৰ্ব আৰু মুছলিমসকলকো শান্তিৰ পথেৰে খোজ ল'বলৈ অনুপ্ৰেৰিত কৰিব পাৰিলে আৰু এইদৰে সেই ১০০০ দিনীয়া যুদ্ধৰ আঁৰ-পট পেলালে।

সাহস ক'ত থাকে

নামত বীৰ, কামত ভয়-পাতুৰা। আনকি এটা ভেকুলী সপোনত দেখিলেও সি কানি-কষ্টা এৰাটো হয়; কিন্তু প্ৰেমত নহয়। প্ৰেমত সি সঁচাসঁচি বীৰ; আৰু সেইহে সি গাঁৱৰে গৌৰী জনীক বিয়া কৰোৱাত স্থিৰ। পিছে—গৌৰীক বিয়া কৰোৱাৰ বাটত হেঙাৰো গৌৰীয়েই। বিয়া কৰাই হিয়া দিয়াৰ আগতে গৌৰীক হীৰাৰ বিৰি থকা সোণৰ হাৰ এধাৰ লাগেই লাগে। বীৰে কি কৰে বাধ্যত পৰি সোণাৰি এজনক সুধিছিলগৈ, সোণাৰিয়ে যে, কমেও দহহেজাৰ মুদ্ৰা লাগিব এনেহেন হাৰৰ দাম।

গতিকে বীৰৰ বিয়া বহুত দূৰ। ইমান ধন ক'ৰপৰা পাব সি? অসম্ভৱ। কিন্তু সেইবুলি সি গৌৰীক জীৱনলগৰী হিচাপে পোৱাৰ আশা সি পৰিত্যাগ কৰিব নোৱাৰে। লক্ষ্যসিদ্ধিৰ বাবে নানান উপায়ৰ কথা চিন্তে বীৰে, কিন্তু নাপায়হে।

এনেতে সেই দেশৰ ৰজাই এক অতি বিচিত্ৰ ঘোষণা কৰিলে যে প্ৰকৃত সাহসিকতাপূৰ্ণ কাৰ্যাৰ বাবে দেশৰ প্ৰকৃত সাহসী-প্ৰজাক দহ হেজাৰ মুদ্ৰা পুৰস্কাৰ হিচাপে দিয়া হ'ব।

শুনি—বীৰে এটা উপায় তেও পোৱা যেন পালে। কিন্তু সপোনত ভেকুলী দেখি ভয় খোৱাই কিনো সাহসিক কাম কৰিব?

ভাবি ভাবি সি ৰামদাদাৰ কাষ চাপিল। বীৰৰ কথা শুনি ৰামদাদই তাক ক'লে, "শুনা, ভয় হ'ল—দৰাচলতে এবিধ বেমাৰ। এই বেমাৰ প্ৰায় প্ৰত্যেকৰে আছে। তুমি ভয় গুচাই

কুমাৰ ভৰালী

সাহসী হ'বলৈ চন্দ্ৰপুৰৰ পাহাৰৰ গুহাবাসী সাধুবাবাৰ ওচৰলৈ যোৱা, তেন্তেহে তোমাক সাহসী হোৱাৰ উপায় দিব।"

বীৰে পাছদিনাই চন্দ্ৰপুৰলৈ বুলি খোজ ল'ব বুলি ভাবি গৌৰীৰ লগত দেখা কৰিলেগৈ। চন্দ্ৰপুৰলৈ যোৱাৰ কথা শুনি গৌৰীয়ে হাঁহি মাৰি বীৰক ক'লে, "তুমি সাহসী হ'বলৈ ইমান দূৰ চন্দ্ৰপুৰলৈ যাবা; কিন্তু ভৈৰৱ পোনে পোনেই ৰাজধানীলৈ গ'ল সাহসিক কাম কৰি দেখুৱাবলৈ। সি যদি তোমাৰ আগতে হীৰাৰ হাৰ লৈ আহে, তেনেহ'লে তাকে বিয়া কৰাব লাগিব।"

বীৰৰ দৰেই, ভৈৰৱেও গৌৰীক বিয়া কৰাব খুজিছিল। দেখাত ভৈৰৱ বীৰৰ দৰে দেখনিয়াৰ নাছিল, কিন্তু আছিল দুৰন্ত সাহসী। ভৈৰৱে আনকি ফেঁটীসাপও শুদা হাতেৰে ধৰিব পাৰিছিল, মাজ-নিশা গাঁৱৰ ভূতথকা বৰগছৰ তলত শুই থাকিব পাৰিছিলগৈ।

যি কি নহওক, বীৰ তথাপি চন্দ্ৰপুৰৰ পাহৰৰ গুহাবাসী সাধু-বাবাৰ কায চপিল।

সধুবাবাই বীৰৰ সমস্যাৰ কথা শুনি ক'লে, "সৌ গুহাটোৰ ভিতৰত এবিধ লতা আৰু পাত দেখা পাবা, লৈ আহাগৈ।"

বীৰে লগে লগে কাষৰীয়া গুহাটোলৈ খোজ ল'লে আৰু লগে লগেই ঘূৰি আহিল দিলে। কিয়নো, গুহাটোৰ দুৱাৰমুখতে আছিল ভালেমান ভেকুলী।

বীৰে পিছুৱাই আহি সাধুবাবাক ভেকুলীৰ কথা কোৱাত সাধুবাবাই বীৰক ক'লে, "সাপে খুটি মাৰে, কিন্তু ভেকুলীয়ে কাৰো কোনো অনিষ্ট নকৰে। যোৱা, লতা-পাত লৈ আহাগৈ, মই মন্ত্ৰসিদ্ধ কৰি তোমাক দিম, বুকুত বল পাবা। নিজৰ বাবে নিজে নানিলে কাৰ্য্যসিদ্ধি নহ'ব।"

কিন্তু ভেকুলী বোলা কথা! তাকো সপোনৰ নহয়, দিঠকৰ ভেকুলী! গতিকে বীৰে উভতি খোজ ল'লে।

ওভোতা বাটত বীৰে ঘোঁৰাবাগী

এখনত গৈ থকা এজনী গাভৰু ছোৱালীক দেখা পালে। এই গাভৰু ছোৱালীজনী আছিল সেই ঠাইৰ ৰুস্তম পালোৱানৰ ছোৱালী, তাইৰ নাম ৰা গ ম তি। ৰাগমতিয়ে বীৰক দেখা পাই গাড়ীখন ৰখাই বীৰক হাত-বাউলেৰে মাতিলে আৰু ক'লে তাক, "শুনা, ৰুস্তম পালোৱান হ'ল মোৰ দেউতা। তুমি দেখাত দেখনিয়াৰ— আৰু সেইহে ঢউ উঠিল মোৰ হিয়াৰ। মই তোমাক বিয়া কৰাবলৈ বিচাৰোঁ।"

"কিন্তু নহ'ব—।" বীৰে খাৰাংখাচ কৈ দিলে, "মই গৌৰীকহে বিয়া কৰাম।"

ৰাগমতিয়ে বীৰৰপৰা গৌৰীৰ বিষয়ে খৰচি মাৰি জানি ল'লে আৰু তাৰ পাছত তাক ক'লে, "তুমি দেখিছোঁ কেৱল দেখন-শুৱনহে, বুদ্ধিত বুদ্ধু। গৌৰীৰনো কি দাম আছে মোৰ তুলনাত? মোক বিয়া কৰালেই তুমি ধন-ধান ঘৰ-দুৱাৰ জীৱনৰ আৰাম—সকলো পাবা।—তথাপি সেই ক'ৰবাৰ কোনোবাজীনক বিয়া কৰাবানে তুমি?"

বীৰে 'হয়'ৰ ভাৱত তুপিয়ালে আৰু ঠিক তেতিয়াই ক'ৰবাৰপৰা এটা মকৰা তাৰ গাত পৰাত সি ভয়তে জাঁপ মাৰি উঠিল। ৰাগমতিয়ে বীৰৰ দুৰ্বলতাৰ কথা ধৰিব পাৰি কৈ উঠিল, "মোক যদি বিয়া নকৰোৱা, তোমাক মকৰা থকা কোঠাত বন্ধ কৰি থ'ম।"

তাই ক'বলৈ পালেহে, বীৰে বীৰৰ দৰে লৰ ধৰিলে আৰু ৰাগমতিয়ে ঘোঁৰা-বাগী চলাই তাক ধৰাৰ বাবে পিছ খেদি দুৰন্ত গতিৰে গৈ থাকিল।

বিপৰীত ফালৰপৰা ভৈৰব আহি আছিল। ভৈৰবে উমানতে বীৰৰ বিপদৰ কথা ধৰিব পাৰি ঘোঁৰাবাগীখন ৰখালে আৰু ৰাগমতিক ক'লে, "এইবোৰ কি কৰিছা? তুমিনো কোন?"

তেতিয়া ৰাগমতিয়ে বীৰ-সম্পৰ্কিত সকলো কথা ভৈৰবক ক'লে। শুনি ভৈৰবে

ষাগমতিক ক'লে, "ভেকুলী আৰু মকৰাৰ ভয়ত পেটত হাত-ভৰি লুকোৱাক—পালোৱানৰ বেটীয়ে বিয়া কৰাব—কেনেকৈনো? এই কথা শুনিলে জগতখনে বাৰু নাহাঁহিবনে?"

"হয়, তুমি ঠিকেই কৈছা। ইমান কাপুৰুষক বিয়া কৰাব নাপায়, ময়ো নকৰাওঁ।" এই বুলি কৈয়েই গাড়ী চলাই তাই গুচি গ'ল।

বীৰে ভৈৰৱৰ ওচৰত তাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে আৰু তাক সুধিলে, "তুমি ৰাজধানীৰপৰা আহিছানে কি? তুমি তাত কিবা সাহসিক কাম কৰি দেখুৱাইছিলনে বাৰু? কিনো কৰিছিলা?"

বীৰৰ প্ৰশ্নৰ উত্তৰত ভৈৰৱে হীৰাৰ হাৰ এধাৰ চোলাৰ জেপৰপৰা উলিয়াই আনি উলহৰ মাদলিটো যেন হৈ ক'লে, "এয়া চোৱা, দহ হেজাৰ মুদ্ৰা পুৰস্কাৰ পাই—হীৰাৰ হাৰ লৈ—এতিয়া ৰংমনে উভতি গৈছোঁ গৌৰীক বিয়া কৰাবলৈ। আৰু—"

আৰু লগে লগেই ক'ৰবাৰপৰা বিৰাট জাল এখন সিহঁত দুয়োৰো ওপৰত পৰিলহি আৰু তৎক্ষণাৎ চাৰিটা চোৰ গছ এজোপাৰপৰা জাঁপ মাৰি নামি আহি ভৈৰৱৰ হাতৰপৰা হীৰাৰ হাৰ কাঢ়ি লৈ



দৌৰি পলাল।

পাছত দুয়ো বহু চেষ্টাৰে জাল ফালি ওলাই আহিল। ভৈৰৱে বীৰক ক'লে, "চোৰ চাৰিটাই এই গছজোপাৰ ওপৰত খাপ লৈ আছিল। তোমাক মই বাহাদুৰিৰে হীৰাৰ হাৰৰ কথা কোৱাতহে এই বিপত্তি ঘটিল। ঠিক আছে, তুমি গাঁৱলৈ উভতি যোৱা আৰু গৌৰীজনীক ঘটনাৰ কথা কোৱাগৈ। মই চোৰকেটাক যেনেকৈয়েই নহওক ধৰিম, আৰু হীৰাৰ হাৰ লৈহে উভতিম—বুলি ক'বাগৈ।"

এই বুলি কৈয়েই ভৈৰৱে চোৰবিলাকৰ পিছ খেদি গ'ল আৰু বীৰে সকলোখিনি

কথা গৌৰীক ক'লেগৈ। লগতে—ৰাগমতিৰ কথাটোও বীৰে গৌৰীক ক'লে।

"চাৰিটা চোৰৰ পিছ খেদি গ'লনে ভৈৰৱ? সঁচাকৈয়েই শলাগিবলগীয়া কথা।" গৌৰীয়ে ক'লে।

এতিয়া বীৰৰ চুচকুৰ আগত সকলো ফৰকাল হ'ল। গৌৰীয়ে যে তাক নহয়, সাহসী ভৈৰৱক বিয়া কৰাব, সেই কথা দেখদেখ।

কিন্তু তথাপি বীৰে ধীৰে-শাঁতে গৌৰীজনীক ক'লে, বিয়াৰ লগত হীৰাৰ হাৰৰ সম্পৰ্ক যে কি—মই দেখোন ধৰিব ই পৰা নাই। তোমাৰ ওচৰত—প্ৰেমনে ধন—কোনটো ডাঙৰ? মই কিন্তু কোনো ধন-সোণ বিচৰা নাই, কেৱল তোমাকহে।"

গৌৰীয়ে মিঠাকৈ হাঁহিৰে ক'লে, "ময়ো। ময়ো তোমাকেই বিচাৰোঁ। এই কথাটো সাহসৰে সৈতে আগতেই মোক তুমি ভাঙি-পাতি কোৱাহেঁতেন—চন্দ্ৰপুৰীৰ সাধুবাবাৰ ওচৰলৈ যোৱাৰ আৱশ্যকেই নহ'লহেঁতেন। কিয়নো—বিয়াৰ কাৰণে লাগে কেৱল এখন সাহসী হিয়া; দিয়া-নিয়াৰ প্ৰশ্নই নুঠে।"

ইতিমধ্যে ভৈৰৱ হেঁপাহ-ফোঁপাই আহি পালেহি। হাতত তাৰ হীৰাৰ হাৰ।

বীৰক কোৱা গৌৰীৰ কথাখিনি তাৰ কাণত পৰিছিল। ভৈৰৱে গৌৰীক বিদ্ৰূপৰে ক'লে, "ভেকুলীকো ভয় খোৱাকে দিবানে হিয়া? কৰাবানে বিয়া?"

তেতিয়া গৌৰীয়ে ভৈৰৱকো বুজাই ক'লে যে সাহস প্ৰকৃততে কাক বোলে। এইবাৰ ভৈৰৱো গৌৰীৰ কথাত একমত হ'ল যে—নিজৰ নিজৰ সাহস নিজৰ নিজৰ বুকুতহে থাকে, হীৰাৰ হাৰত নহয়।

পাছত গৌৰীয়ে বীৰক তাইৰ জীৱন-লগৰী হিচাপে লৈছিল আৰু ৰাগমতিক বিচাৰি উলিয়াই ভৈৰৱৰ সৈতে যোৰা পাতি দিছিল।



মাছধৰা-কলা

কিবা কামত চক্রধৰ চহৰলৈ গৈ আছিল। গৈ গৈ বাটত এঠাইত এটা ডাঙৰ পুখুৰীৰ পাৰত এক বিচিত্র দৃশ্য দেখি চক্রধৰ বৈ গ'ল। পুখুৰীৰ পাৰত—হাতত দাপোণ এখনৰে দুজন মানুহ বৈ আছিল। দপোণত বেলিৰ পোহৰ পৰি মানুহ দুজনৰ প্রতিবিম্ব পুখুৰী-পানীত দীঘলকৈ পৰিছিল।

কাষ চাপি গৈ চালে যে— এজন মানুহ গাঁৱৰে—কৃষ্ণ, আনজন কোনো-কাহানিও নেদেখা। নেদেখাক দেখি চহৰীয়া যেনেই লাগে। চক্রধৰে চহৰীয়াজনক সুধিলে, "আপোনালোকে ইয়াত কি কৰিছেনো ? বৰ আচৰিতবিধৰ কিবা—?"

চক্রধৰক হাত দাঙি ৰখাই চহৰীয়াই ক'লে, "আমাৰ কাম নজনাৰ ওচৰত নপুংসকৰ পুংসবন যেন লাগিবই। তথাপি কওঁ তোমাক, আমি মাছ মাৰিছোঁ।"

"মাছ—? মাৰিছে ?" চক্রধৰে আচৰিত মানি ক'লে, "কয় কি ? জাল নাই জাকৈ নাই বৰশী নাই—মাৰিছেনে মাছ ? কেনেকৈনো মাৰিছে ?"

"এয়া হ'ল মাছ ধৰাৰ কলা। এই কলা জনাই মাছ মাৰিবলৈ পানীতো ননামিব, হাত-ভৰিত বোকাও নলগাব, বা জাল জাকৈ বৰশীৰ দৰকাৰো নহ'ব।" চহৰীয়াই চহাক বেহা শিকাবলৈ ধৰিলে।

চহৰীয়ায়েই পুনৰ গহীন মাতেৰে ক'লে, "আমাৰ ককা-আজোককাৰ দিনৰেপৰাই এই কলা—মাছধৰা কলা—চলি আহিছে। কিন্তু মাননী বিনে তোমাক নিশিকাওঁ। মোৰ কাম-কাজ এৰি এওঁক মাছ ধৰাৰ কলা শিকাইছোঁ যে—মোৰ কিমান ক্ষতি হৈছে ভাবি চোৱা। তুমি যদি এই কলা শিকিবলৈ ইচ্ছা কৰিছা টকা

ৰামকৃষ্ণ কোঁৱৰ

পঞ্চাছটি দিয়া, শিকাই দিম।"

চক্রধৰে তেতিয়াই জেপৰপৰা উলিয়াই আনি টকা পঞ্চাছটা চহৰীয়াক দিলে।

তেতিয়া চহৰীয়ই চক্রধৰক ক'লে, "পুৰা ৰহস্য এই দাপোণতে আছে। আমাৰ দৰেই—একেবাৰে লৰ চৰ নকৰাকৈ থিয় হৈ থাকা। দাপোণত প্ৰতিফলিত হৈ তোমাৰ প্ৰতিবিম্ব পুখুৰীৰ পানীত পৰে যেন, চাবা। আৰু সেই প্ৰতিবিম্ব পোন হৈ পৰিব লাগে. পৰি স্থিৰ হৈ থাকিব লাগে। তেতিয়া—বেলিৰ পোহৰৰ তাপ সহিব নোৱাৰি মাছবোৰ পানীৰ ওপৰলৈ ভাহি উঠিব, আৰু বছ—আমাৰ কাম হ'ব ধৰি ধৰি খালৈত থোৱাহে!"

চক্রধৰে সুধিলে, "আপোনালোকে এতিয়ালৈকে কিমান মাছ ধৰিলে?"

চহৰীয়াই ক'লে, "সাত।"

চক্রধৰে চিঞৰি চিঞৰি চহৰীয়াক প্ৰতাৰক ঠগ আদি গালিৰে তেভূত কৰাত চহৰীয়াই ক'লে, "চিঞৰি কোনো ফইদা নহ'ব। যেতিয়ালৈকে আন এটা মানুহে এই দাপোণ হাতত নল'বহি, তেতিয়ালৈকে দাপোণ হাতত লৈ তুমি থিয় হৈ থাকিবা। যদি ঠিকমতে কামটো কৰা, পঁচিছ টকা ঘূৰাই দিম। ঠিক আছে—?" এই বুলি কৈ টকা পঁচিছটা কৃষ্ণক দিলে, আৰু কৃষ্ণ তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

আধঘণ্টামানৰ পাছত কৃষ্ণ পুনৰ তালৈ অহা দেখা গ'ল. আৰু তাৰ লগত আন চাৰিজন মানুহো আহিল, সিহঁতৰ হাতত দীঘল দীঘল লাঠি। চহৰীয়াই চক্রধৰক ক'লে, কৃষ্ণই এই কলা শিকিছে, পুনৰ আহিছে—ঠিকেই আছে; কিন্তু লাঠি হাতত লৈ সেইবোৰ মানুহ কিয়?"

"সেইবোৰে এইবাৰ তোমাক পিঠিফলা কলা শিকাবলৈ আহিছে যেন পাওঁ—।"

চহৰীয়াই চক্রধৰক পুৰা টকাখিনি দি—মবোঁ-জীওঁকৈ লৰ ধৰি পিঠি দিলে।



৫

[আগৰ কথা : ট্ৰয়ৰাজ মৰ্দন-পুত্ৰ মোহনে কৌশলেৰে অতুলসুন্দৰী কাছান্দ্ৰাক অপহৰণ কৰি লৈ অহাৰ পৰিণামত ট্ৰয়-গ্ৰিকৰ মাজত যুদ্ধ লাগি পৰিছিল। গ্ৰিকসেনাই কেইবাবছৰো ধৰি ট্ৰয় নগৰীক চাৰিওফালৰপৰা অৱৰুদ্ধ কৰি ৰাখিলে, ট্ৰয়ৰ আশে-পাশে থকা বহু সৰুসুৰা ৰাজ্যত লুট-পাত চলালে ; কিন্তু প্ৰকৃত যুদ্ধ তেতিয়ালৈকো আৰম্ভ হোৱা নাছিল ; যদিও গ্ৰিক শিবিৰত চলি আছিল অন্তৰ্দ্বন্দ্ব আৰু বিচিত্ৰ বিচিত্ৰ ঘটনাৰ চাকনৈয়া। আৰু তাৰ পাছত......]

ট্ৰয় নগৰক বিগত নবছৰলৈকে গ্ৰিক-সকলে অৱৰুদ্ধ কৰি ৰাখিছিল, কিন্তু প্ৰকৃত যুদ্ধ আৰম্ভ হোৱা নাছিল। এতিয়া জাৰকালি। জাৰকালি যুদ্ধ কৰিব নোৱাৰি। আৰু এই ছেগতে গ্ৰিকসকলে তেওঁলোকৰ শিবিৰ বিস্তাৰিত কৰিলে, অস্ত্ৰবিদ্যাৰ আখৰা দিলে, নিজক ধনুৰ্বিদ্যাত অধিক দক্ষ কৰি তুলিলে।

যুদ্ধক্ষেত্ৰৰপৰা অলপ আঁতৰত আছিল সূৰ্য্য-দেৱতাৰ মন্দিৰ। এই মন্দিৰলৈ ট্ৰয়ৰ অধিবাসী আৰু গ্ৰিকহঁতো আহে বলি উছৰ্গা কৰিবলৈ। ট্ৰয়ৰ বিশিষ্ট ব্যক্তি-সকলকো এই বিখ্যাত মন্দিৰত কেতিয়াবা কেতিয়াবা গ্ৰিকহঁতে দেখা পাইছিল।

এদিন সূৰ্য্যদেৱতালৈ বলি উছৰ্গিবলৈ বজ্ৰকায় এই মন্দিৰলৈ আহিল, আৰু

ভগ্নীক বিবাহ কৰাব পাৰিবা। যদি গ্ৰিকৰ দসহ তোমাৰ কাম্য নহয়, তেনেহ'লে তোমালোকৰ ভূধৰ আৰু আন কিছুমান বীৰকো হত্যা কৰি আমাৰ বিশ্বাস উৎপাদন কৰাঁ। আৰু ইয়ালৈ শুচি আহাঁ। তোমাৰ কাৰণে ইয়াত ৰঙা থঙা পৰি থোৱা হৈছে।'

কিন্তু প্ৰকৃত বীৰ বজ্ৰকায়ে এই চৰ্ত মানিব একোপধ্যেই নোৱাৰিলে। তেওঁৰ আত্মাভিমান আহত হ'ল।

তেতিয়া শীতকালৰ অন্ত পৰি বসন্তৰ আগমন হৈছিল, আৰু লগে লগে ৰণশিঙাও বাজি উঠিছিল। যুদ্ধকালত বজ্ৰকায়ে বীৰসিংগাৰ সৈতে দেখাদেখি হ'বলৈ যথেষ্ট চেষ্টা কৰিছিল, কিন্তু সফল হোৱা নাছিল। এইবাৰ যেতিয়া যেনেতেনে সাক্ষাত কৰিবলৈ বজ্ৰকায় বীৰসিংগাৰ ওচৰলৈ গৈ আছিল, তেতিয়া বীৰসিংগাৰ ভায়েক এজনে বজ্ৰকায়ক কঁড়িয়াই আহত কৰিছিল।

আগতে বজ্ৰকায়ে ট্ৰয়ৰ আশে-কাষে থকা ৰাজ্যত লুট-পাত কৰিছিল। তেতিয়া বহুতো ৰূপৱতী গাভৰুক দাসীৰ ৰূপত পাইছিল। এই গাভৰুহঁতৰ মাজত আছিল হেমা আৰু ভামিনী নামৰ দাসী। গ্ৰিক বীৰসকলে এই দাসীবিলাকক ভগাই

ট্ৰয়ৰাজ মৰ্দনৰ পত্নী আৰু কন্যা প্ৰমোদিনীও মন্দিৰলৈ আহিল। প্ৰমোদিনীক দেখাৰ লগে লগেই বজ্ৰকায়ৰ হৃদয়ত প্ৰেমৰ জোৱাৰ উঠিল আৰু শিবিৰলৈ প্ৰত্যাৱৰ্তন কৰি বীৰসিংগালৈ এজন দূত পঠালে। সেই দূতে বীৰসিংগাক ক'লে, "বজ্ৰকায়ে আপোনাৰ ভগ্নী প্ৰমোদিনীক বিবাহ ইচ্ছুক হৈছে।"

এই কথাৰ উত্তৰত বীৰসিংগাই বজ্ৰকায়ৰ ওচৰলৈ এই বাৰ্ত্তা দূতৰ যোগেদি প্ৰেৰণ কৰিলে: 'তুমি যদি গ্ৰিক-শিবিৰ পৰিত্যাগ কৰি মোৰ পিতা মৰ্দনৰ পক্ষভুক্ত হোৱা, তেতিয়া মোৰ

লওতে ৰাৰাজাই হেমাক আৰু বজ্ৰকায়ে ভামিনীক লৈছিল।

হেমাৰ পিতাকৰ নাম হেমাম্বৰ। তেওঁ আছিল সূৰ্য্যৰ উপাসক। তেওঁ তেওঁৰ পুত্ৰীক ৰাৰাজাৰপৰা ওভোতাই আনিব খুজিছিল আৰু সেই বাবে বিভিন্ন উপঢৌকন প্ৰদান কৰি পুত্ৰীৰ প্ৰত্যাৰ্পণলৈ প্ৰাৰ্থনা কৰিছিল।

কিন্তু ৰাৰাজাই হেমাম্বৰৰ প্ৰাৰ্থনা প্ৰত্যাখ্যান কৰিলে, হেমাম্বৰে পঠোৱা উপঢৌকনাদিও ঘূৰাই পঠালে আৰু তেওঁক তিৰস্কাৰ কৰি তাৰপৰা উলিয়াই দিলে।

এই ঘটনাৰ পাছৰপৰা গ্ৰিক শিবিৰত অকস্মাৎ বাণবৃষ্টি চলি থাকিল, কিন্তু বহু চেষ্টাতো কোনেও এই ঘটনাৰ উৎস বিচাৰি নাপালে।

তাৰ পাছত কিংশুক নামৰ এজনক গ্ৰিক জ্যোতিষীয়ে ক'লে, "হেমাম্বৰ হ'ল সূৰ্য্যদেৱতাৰ উপাসক। সূৰ্য্য দেৱতাই কষ্ট হৈ আমাক এই দণ্ডদান কৰিছে। হেমাক মুক্তি প্ৰদান কৰিলেহে আমি এই দেৱ-দণ্ডৰপৰা অব্যাহতি লাভ কৰিব পাৰিম।"

ৰাৰাজাই কিংশুকৰ কথা বিশ্বাস কৰিলে আৰু হেমাক তাইৰ পিতাক হেমাম্বৰৰ ওচৰলৈ পঠালে। আৰু তাৰ পাছত তেওঁ বজ্ৰকায়ৰ দাসী ভামিনীক

নিজৰ অধীন কৰি ল'লে। তেওঁৰ এই কাৰ্য্যৰ বিৰোধিতা কোনেও কৰিব বুলি ৰাৰাজাই ভবা নাছিল।

কিন্তু ৰাৰাজাৰ এই কাৰ্য্যত বজ্ৰকায় ক্ৰোধিত হৈ উঠিল। বজ্ৰকায়ে ঘোষণা কৰিলে: "এতিয়াৰপৰা এই যুদ্ধত মই আৰু ভাগ নলওঁ।"

বজ্ৰকায়ে প্ৰমোদিনীত আত্মগত হৈ আছিলেই, এইবাৰ ৰজা মৰ্দনক তুষ্ট কৰিবলৈ এক সুৱৰ্ণসুযোগ পালে। বজ্ৰকায় আৰু তেওঁৰ সৈন্যসকলো যুদ্ধক্ষেত্ৰ পৰিত্যাগ কৰি গুচি আহিল।

বজ্ৰকায়ৰ ঘোষণা শুনি আৰু যুদ্ধক্ষেত্ৰ

এৰি অহাৰ বাতৰি পাই ট্ৰয়ত আনন্দৰ জোৱাৰ উঠিল। ৰণৰংগমঞ্চত গ্ৰিক-বীৰ বজ্ৰকায় নাই—তাতকৈ সুখকৰ সম্বাদ আৰুনো কি? এই ঘটনাক ট্ৰোজানহঁতে দেৱতাৰ প্ৰত্যক্ষ আশীৰ্বাদ বুলিয়েই ধৰি ল'লে আৰু গ্ৰিক সৈন্যহঁতক দুগুণ উৎসাহেৰে আক্ৰমণ কৰিলে।

আৰু তেতিয়াহে ৰাৰাজাৰ কিছু চৈতন্যোদয় হ'ল। তেওঁ যুদ্ধৰ সমাপ্তিৰ বাবে ৰজা মৰ্দনৰ ওচৰলৈ এক জৰুৰী বাৰ্তা প্ৰেৰণ কৰিলে।

যুদ্ধ স্থগিত হ'ল। এই যুদ্ধ আছিল অতুলসুন্দৰীক লৈহে। অতঃপৰ স্থিৰ হ'ল যে—অতুলসুন্দৰী কাছান্দ্ৰাৰ পতি ক্ৰেটো আৰু মোহনৰ মাজত দ্বন্দ্বযুদ্ধত যিজন বিজয়ী হ'ব—তেৱেঁই অতুলসুন্দৰীক বিনা প্ৰশ্নে লাভ কৰিব।

ক্ৰেটো আৰু মোহনৰ মাজত দ্বন্দ্বযুদ্ধ হৈছিল। কিন্তু অকস্মাৎ মোহন অদৃশ্য হোৱাত এই দ্বন্দ্বযুদ্ধৰ ফলাফল নিৰ্ণীত হোৱা নাছিল। যে — মায়াদেৱীয়েই মায়াবলেৰে মোহনক দ্বন্দ্বযুদ্ধৰপৰা আঁতৰাই ট্ৰয় নগৰলৈ লৈ গৈছিল।

দ্বন্দ্বযুদ্ধৰ নিৰ্ণয় নোহোৱাত এই যুদ্ধৰো অন্ত নপৰিল, সাময়িকভাবে স্থগিতহে হৈ থাকিল।

ইতিমধ্যে কণ্টক নামৰ এগৰাকী ট্ৰোজান বীৰে ক্ৰেটোলৈ কঁড়িয়ালে। এই কথাত দেৱময় ক্ৰুদ্ধ হ'ল আৰু দেৱময়ে কণ্টকক তৎক্ষণাৎ হত্যা কৰিলে। দেৱময়ে প্ৰশংসনকো আহত কৰিলে

তাৰ পাছত বীৰসিংগাই দ্বন্দ্বযুদ্ধলৈ বজ্ৰকায়লৈ আমন্ত্ৰণ জনালে। কিন্তু বজ্ৰকায়ে কৈ পঠালে যে তেওঁ যুদ্ধক্ষেত্ৰৰপৰা আঁতৰি আহিছে। তেতিয়া গ্ৰিকসকলে দ্বন্দ্বযুদ্ধৰ বাবে ভূধৰক বীৰসিংগাৰ ওচৰলৈ পঠালে।

বীৰসিংগা আৰু ভুধৰৰ মাজত বেলি লহিউৱালৈকে দ্বন্দ্বযুদ্ধ চলি থাকিল, কিন্তু


CHITRA



জয়-পৰাজয় নিৰ্ণীত নহ'ল। সূৰ্য্যাস্তৰ অন্তত দুয়ো দুয়োকো শলাগিলে আৰু পুৰস্কাৰৰো আদান-প্ৰদান কৰিলে। আৰু তেতিয়া দুয়োজনেই যুদ্ধৰ সমাপ্তিৰ বাবে স্বীকৃত হ'ল।

কিন্তু কিছুদিনৰ অন্তত পুনৰ থৈয়া-নথৈয়া লাগি পৰিল আৰু ট্ৰয়ৰ সৈন্য-বাহিনী গ্ৰিক সৈন্যহঁতক মাধমাৰ লগাই মৰা-মুগা কৰি পেলালে। ট্ৰয়-বাহিনীয়ে গ্ৰিক-বাহিনীক সেই ঠাইৰপৰা খেদি পঠালে আৰু সাগৰৰ কাষলৈ খেদি নিয়াৰ পাছত তাতেই ট্ৰয়-বাহিনীয়ে খানিকা পাতিলে।

গ্ৰিকসৈন্যৰ সৰ্বাধ্যক্ষ ৰাৰাজা ভীত আৰু হতাশাগ্ৰস্ত হৈ উঠিল। ৰাৰাজাই যেনেকৈয়েই নহওক বজ্ৰকায়ক পুনৰ যুদ্ধক্ষেত্ৰলৈ লৈ অহাৰ বাবে কৃতসংকল্প হ'ল। বজ্ৰকায়ৰ অবিহনে যে গ্ৰিক-বহিনী সাৰ্বিকভাবে পৰাজিত হ'ব—সেই বিষয়ে ৰাৰাজা এতিয়া নিঃসন্দেহ হ'ল।

ৰাৰাজাই বজ্ৰকায়লৈ প্ৰচুৰ উপঢৌকন প্ৰেৰণ কৰিলে আৰু এই কথাকৈ পঠালে: তোমাৰ ভামিনীক লোৱা, আৰু যুদ্ধক্ষেত্ৰত তুৰন্তে ভাগ লোৱাহি।

ভামিনীক বজ্ৰকায়লৈ ওভোতাই দিয়াৰ আঁৰত অন্য এটি কাৰণো আছিল। কিয়নো—হেমাই নিজেই পুনৰ ৰাৰাজাৰ ওচৰলৈ আহিবলৈ চেষ্টা কৰি আছিল। তাই তাইৰ দেউতাকক কৈছিল, "মই ইয়াত নাথাকোঁ। ৰাৰাজাৰ ওচৰত মই বৰ সুখতে আছিলোঁ, মই তালৈকে পুনৰ উভতি যাম।"

আৰু তাই কোৱা মতেই ৰাৰাজাৰ ওচৰলৈ উভতি আহিছিল।

বজ্ৰকায়ে ৰাৰাজাৰ দূতৰ সৈতে মিঠা ব্যৱহাৰে কৰিলে, কিন্তু নিজৰ প্ৰতিজ্ঞাত অটল থাকিল। বজ্ৰকায়ে দূতক ক'লে, "মই কালিলৈ নিজৰ জাহাজেৰে দেশলৈ বুলি ৰাওনা হ'ম।"

আৰু ঠিক সেই নিশা ৰূপধৰ আৰু দেৰময়ে ট্ৰয়-শিবিৰ আক্ৰমণ কৰিবলৈ ৰাওনা হ'ল। কিন্তু বাটত ট্ৰয়ৰ গুপ্তচৰক পাই, গুপ্তচৰজনক ধৰি মৰা-পিটা কৰি শত্ৰু-শিবিৰৰ বহু কথা জানি ল'লে আৰু তাৰ পাছত তাক হত্যা কৰিলে।

গুপ্তচৰজনে এটা বিশেষ কথা কৈছিল যে—কিছুদিনৰ আগতে থ্ৰেছদেশৰ ৰজা বিচ্ছেদন ট্ৰয়লৈ আহিছিল আৰু লগত লৈ আহিছিল একেবাৰে গাখীৰ-বগা কিছুমান বায়ুৰ দৰে বেগবান অশ্ব। বিচ্ছেদন ক'ত আছে—তাকো জানি লৈছিল ৰূপধৰ-দেৰময়ে, আৰু তাৰ পাছত বিচ্ছেদনক অকস্মাৎ আক্ৰমণ কৰি, অনুচৰৰে সৈতে বিচ্ছেদনক হত্যা কৰাৰ অন্তত সেই বায়ুৰ দৰে বেগবান অশ্ব-বিলাক অধিকাৰ কৰিছিল।

কিন্তু তাৰ পাছতো গ্ৰিকহঁত যুদ্ধক্ষেত্ৰত নাজল-নাথল হৈয়েই থাকিল। ৰাৰাজা দেৰময়, ৰূপধৰ প্ৰমুখ বীৰ বেয়াকৈ ঘাইলো হ'ল।

বীৰসিংগা আছিল প্ৰকৃততেই বিৰাট বীৰ। তেওঁৰ পৰাক্ৰমৰ আগত কোনো গ্ৰিক বীৰেই তিষ্টিব নোৱাৰে যে—সেই কথা ধ্ৰুৱ সত্য। তেওঁ গ্ৰিকহঁতক যুদ্ধ-ক্ষেত্ৰৰপৰা খেদি পঠালে। গ্ৰিকহঁতে প্ৰচণ্ডতম ৰণ দিয়া সত্বেও বেয়াকৈ পৰাজিত হ'ল।

চাওঁতে চাওঁতে বীৰসিংগাৰ অধিনায়কত্বত ট্ৰয়ৰ সৈন্য গ্ৰিকৰ যুদ্ধজাহাজ-ৰূপী নাওবিলাকৰ কাষ পালেগৈ আৰু লগে লগে এখন নাৰত জুই লগাই দিলে। এই নাওখন আছিল ট্ৰয়ৰ সমুদ্ৰ-উপকূলত প্ৰথমে নামি অহা সেই প্ৰমুখ আৰু গ্ৰিকহঁতৰ পক্ষে চিৰস্মৰণীয় মৃত্যুভয়হীন অকল্পনীয় সাহসী চন্দ্ৰপ্ৰভুৰ নাও—যিজনে সকলো দৈৱ ভীতি উপেক্ষা কৰি ট্ৰয়ভূমিত পদাৰ্পণ কৰি স্বৰ্গী হৈছিল। [আগলৈ



আৰামী-গাড়ী!

সম্প্ৰতে এবিধ স্কুটাৰ বনোৱা হৈছে, যিখন স্কুটাৰত পিছফালে আউজি আৰামকৈ আৰামী চকিত বহাদি বহিব পাৰি আৰু তেনেকৈ বহি থকাকৈ চলাব পাৰি। চলাওঁতে আপুনি তিনিচকীয়া চকি এখনত আৰামছে ৰহি আছে বুলিহে ভাবিব। এই স্কুটাৰৰ একো একোটা চকাৰ পৰিধি হ'ল ৬০ চে. মি.কৈ (১৬ আঙুলি) আৰু সহজেই খুলিব-লগাব পাৰি। এই স্কুটাৰত ২৪ ভোল্টৰ মোটৰ লগোৱা হৈছে। আৰু আছে লাহেকৈ, মজলীয়া বিধৰ গতিৰে আৰু জোৰেৰে চলাবলৈ তিনিটা বুটাম। আগ-পিছ: কৰাৰ বাবেও বুটাম আছে, টিপি দিলেই হ'ল। কিন্তু এনে সুবিধাজনক স্কুটাৰ কাৰ কাৰণে বুলি ভাবিছে? নহয়, হাত-ভৰি ঠিকেঠাকে থকা শিশুইতৰ কাৰণে নহয়। এই স্কুটাৰ অংগহীন অৰ্থাৎ প্ৰতিবন্ধীসকলৰ কাৰণেহে বনোৱা হৈছে।

গিনেছ-গান!

মাদ্ৰাজৰ এখন কলেজৰ কিছুমান ছাত্ৰে 'লক্ষ্মণ-স্মৃতি' নামৰ এক সংগীত-সভা স্থাপিলে। এই সংগীত সভাই—ঘাইকৈ বোলছবিৰ গীতকে গায়, তাৰেই শ্ৰোতাৰ মনোৰঞ্জন কৰে। যোৱা বছৰৰ ডিচেম্বাৰ মাহৰ ১৭ তাৰিখে এই সংগীত-সভাই একেৰাহে ৩৬ ঘণ্টালৈকে বোলছবিৰ গীত গাই ৰেকৰ্ড কৰিলে আৰু এওঁলোকে এই সংগীতানুষ্ঠানৰ ৰেকৰ্ড লিপিবদ্ধ কৰাবলৈ 'গিনেছ বুক অব ওৱাৰ্ল্ড ৰেকৰ্ডছ'লৈ পঠালে।

অপ্ৰতিহত বুলেট!

'খিন্‌কানছেন্' নামৰ বুলেট-ৰেলগাড়ী যোৱা ত্ৰিশ বছৰ ধৰি জাপানৰ টোকিও'—ওছাকা নগৰৰ মাজত চলি আছে। ইয়াৰ বেগ ঘণ্টাইপ্ৰতি ২২০ কি. মি., কিন্তু আজিপৰ্যন্ত কোনো দুৰ্ঘটনা ঘটা নাই। ১৯৬৪ চনৰ পহিলা অক্টোবৰৰ দিনা এই বুলেট-ৰেলগাড়ীৰ প্ৰথম যাত্ৰা আৰম্ভ হৈছিল। জাপানৰ অন্যান্য তীব্ৰগতি ৰেলগাড়ীৰ 'বাটকটীয়া' এইখনকে ক'ব পাৰি। ইয়াৰ পাছত ন ন ৰেলগাড়ী সজা হৈছে, আৰু সেইবোৰ বাতিলো কৰা হৈছে ; কিন্তু বুলেট আজিও অপ্ৰতিহত। ঘণ্টাত ২৭০ কি. মি. দৌৰোৱা 'নোজেমি' নামৰ ৰেলগাড়ী ১৯৯২ চনত চলোৱা হৈছিল ; কিন্তু কিছু অসুবিধাই দেখা দিয়াত তাকো বাতিল কৰা হ'ল। বাটকটীয়া বুলেট আজিও অপ্ৰতিহত।



যোগ্য-অযোগ্য

"হে, ৰাজন্, তুমি যে কাৰ কাৰণে কিহৰ কাৰণে যুগ যুগ ধৰি এই শ্ৰম কৰিছা, তুমিহে জানা। কিন্তু তথাপি এটা কথা জানি থোৱা যে অযোগ্যপাত্ৰত দান কৰাত মহত্ব একোৰেই নাই। মোৰ কথালৈ তোমাৰ মন-কাণেই নাই যেন পাইছোঁ। ইমান কাল ধৰি কিমান যে যাতনা ভুগিছা, কিমান যে দুখ-কষ্ট সহিছা, তথাপি দেখিছোঁ তোমাৰ চেষ্টাৰ বিৰাম নাই। কিন্তু এই চেষ্টা কিহৰ কাৰণে? কাৰণ এটা থাকিবই লাগিব, কিয়নো, কাৰণ বিনে কাৰ্য্য নহয়। এতিয়াও কওঁ, মোৰ কথা শুনা, তুমি এতিয়াও নিজ ৰাজ্যলৈ উভতি যোৱা আৰু প্ৰজাপালনত মনোনিবেশ কৰা।" কিন্তু তথাপি অটল প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্যই সেই মৃতদেহ কান্ধত কঢ়িয়াই লৈ একমনে মৰিশালিলৈ গৈ থাকিল। আৰু বেতালে গৈ থাকিল:

'বেতাল-কথা'

দণ্ডকবনত ৰক্তৰ্পণ নামৰ এক ৰাক্ষস আছিল। দণ্ডকবনৰ এফালে হিমগিৰি ৰাজ্য আৰু সিফালে সিংহপুৰী। দণ্ডকবনৰ কাষেদিয়েই দুই ৰাজ্যলৈ যাতায়াতৰ বাট-পথ। কিন্তু ৰাক্ষস ৰক্তৰ্পণৰ অত্যাচাৰ অধিকভাগ বাটকৰাই সহিব-লগীয়া হৈছিল, আনকি ৰাক্ষস ৰক্তৰ্পণে কিছুমান বাটকৰাক খায়ো পেলাইছিল।

এবাৰ চন্দ্ৰকান্তা নামৰ এক গন্ধৰ্ব কন্যা ভূলোকৰ সৌন্দৰ্য্য চাবলৈ দণ্ডকবনলৈ নামি আহিল, আৰু বনত বিহাৰ কৰি থাকোঁতে চন্দ্ৰকান্তাৰ ডিঙিত থকা মণিহাৰৰপৰা এটি মণি সুলকি পৰিল। কিন্তু দয়ালু নম্ৰ স্বভাৱৰ চন্দ্ৰকান্তাই সেই সুলকি পৰা মণিটোৰ কথা নাজানিলে আৰু কিছু সময়ৰ অন্তত পুনৰ গন্ধৰ্ব-লোকলৈ বুলি ৰওনা কৰিলে।

কিন্তু কিছুদিনৰ অন্তত—বনত বিচৰণ কৰি থকা ৰাক্ষস ৰক্তৰ্পণে সেই মণিটো তাত দেখা পালে আৰু মণিটো বুটালি লৈ সি নিজৰ ডিঙিত পিন্ধিলে।

আৰু লগে লগেই ৰক্তৰ্পণে ৰাক্ষস গুচি মানৱৰ আকৃতি পালে। কেৱল আকৃতিয়েই নহয়, মানৱৰ প্ৰকৃতিও লাভ কৰিলে ৰক্তৰ্পণে। ক্ৰুৰ-হৃদয়ৰ ৰাক্ষস কোমল-হৃদয় হৈ উঠিল। তাৰ অন্তৰত দয়া প্ৰেম কৰুণাৰ সৃষ্টি হ'ল।

এদিন মানৱাকৃতি ৰাক্ষস ৰক্তৰ্পণ যেতিয়া এজোপা বৃক্ষতলত চিন্তিত মনেৰে বহি আছিল, তেতিয়া সেই বাটেদি গৈ থকা ধৰ্মবেদ নামৰ মুনি এজনে তাক দেখা পাই তেওঁৰ তপোশক্তিৰে তাৰ অৰ্থাৎ ৰাক্ষস ৰক্তৰ্পণৰ মনত থকা সকলো কথা জানি ল'লে।

মুনি ধৰ্মবেদে মনুষ্যৰূপী ৰাক্ষস ৰক্তৰ্পণক ক'লে, "ৰাক্ষস ৰক্তৰ্পণ, এতিয়া তুমি নিজক নিজেই বুজিব নোৱৰা যেন হৈছা, নহয়নে? এয়া হ'ল সেই মণিৰ সুফল। দয়ালু স্বভাৱৰ গন্ধৰ্বকন্যা

চন্দ্ৰকান্তাৰ হেৰোৱা মণি তুমি বুটলি পালা, আৰু তাৰ ভিতৰত পিন্ধিলা বুলিহে ৰাক্ষস গুচি মনুষ্য হ'লা। ইচ্ছাশক্তি পূৰণ কৰাত এই মণি অদ্বিতীয়। এই মণিৰ সহায়ত তুমি মন কৰিলে সম্ৰাটও হ'ব পাৰা বা মন কৰিলে আনকো সহায় কৰিব পাৰা।" এই বুলি কৈ, মুনি ধৰ্মবেদ তাৰপৰা গ'লগৈ।

ধৰ্মবেদে কোৱা কথাখিনি সিংহপুৰীৰ আদিত্য নামৰ গুপ্তচৰ এজনে আঁতৰত থাকি শুনিছিল, আৰু সম্ৰাট হোৱাৰ সপোনদেখা সিংহপুৰীৰ ৰজা বিক্ৰম-ভূপতিক সেইবোৰ বহুমূল্য কথা বিস্তাৰিত ভাবে কৈলগৈ।

আৰু এই মণিৰ কথা শুনিয়েই সিংহপুৰীৰ ৰজা বিক্ৰমভূপতিয়ে চুবুৰীয়া সকলোবোৰ ৰাজ্যবোৰ আক্ৰমণ কৰি অধিকাৰ কৰাৰ সপোন দেখিছিল আৰু সেই বাবে আঁচনিও পাতিছিল।

হিমগিৰিৰ ৰজা বিজয়াদিত্য আছিল পৰম ধাৰ্মিক ৰজা। তেওঁৰ ৰাজত্বকালত প্ৰজা আছিল পৰমসুখী। কিন্তু সিংহপুৰীৰ ৰজা বিক্ৰমভূপতিৰ এই সংকল্পৰ কথা চোৰাংচোৱাইতৰ যোগেদি জানি ধাৰ্মিক ৰজা বিজয়াদিত্য বিচলিত হ'ল। তেওঁ সন্ধিৰ বাবে বিক্ৰমভূপতিকে দূত প্ৰেৰণ



কৰিলে, কিন্তু বিক্ৰমভূপতিয়ে দূতক অপমান কৰি বিদায় দিলে।

আৰু তেতিয়া দুয়োখন ৰাজ্যৰ মাজত যুদ্ধ অনিবাৰ্য্য হৈ উঠিল।

তিমানতে সিংহপুৰীৰ ৰজা বিক্ৰম-ভূপতিয়ে — মণিটো নোপোৱাকৈয়েই নিজক সম্ৰাট বুলি ভাবিবলৈ ধৰিছেই— ভাবিছে: এটা সামান্য ৰাক্ষসৰপৰা মণিটো হস্তগত কৰোঁতেনো কিমানপৰ? আৰু — মণিটো হস্তগত কৰাৰ পাছত চুবুৰীয়া ৰাজ্যবিলাকক পদানত কৰোঁতেনো কিমান পৰ?

বিক্ৰমভূপতিয়ে তেতিয়াই ঘোঁৰাত

উঠি ৰক্ততৰ্পণৰ ওচৰলৈ যাবলৈ দণ্ডকবন অভিমুখে যাত্ৰা কৰিলে।

ঠিক সেই সময়ত হিমগিৰিৰ ৰজা বিজয়াদিত্যই ছদ্মবেশ ধাৰণ কৰি নগৰ পৰিভ্ৰমণলৈ ওলাই এজোপা বৃক্ষৰ শীতল ছাঁত জিৰণি লৈ থকা মুনি ধৰ্মবেদক দেখা পালে। তেওঁ মুনিৰ ওচৰলৈ গ'ল, আৰু হাত যোৰ কৰি থিয় হৈ থাকিল।

মুনি ধৰ্মবেদে ৰজা বিজয়াদিত্যক ক'লে হে ৰাজন, তোমাৰ মানকেষ্টৰ কথা মোৰ অবদিত নয়ে। কিন্তু সিংহপুৰীৰ বলশালী ৰজা বিক্ৰমভূপতিক শিক্ষা দিয়াৰ মাত্ৰ এটাহে উপায় আছে। সেই উপায় হ'ল— তুমি দণ্ডকবনলৈ গৈ মানৰাকৃতিৰ ৰাক্ষস ৰক্ততৰ্পণৰ ডিঙিত ওলমি থকা মণিটো লৈ আহিব লাগিব। ৰক্ততৰ্পণক তুমি দেখা-মাত্ৰেই চিনি পাবা।"

বিজয়াদিত্যই কাল বিলম্ব দকৰি ঘোঁৰাত উঠি দণ্ডকবনলৈ বুলি ৰাওনা হ'ল। কিন্তু তিমানতে সিংহপুৰীৰ ৰজা বিক্ৰমভূপতি তালৈ উপস্থিত হৈছিলগৈ আৰু ৰক্ততৰ্পণকো কৈ ছিল গৈ, "হে ৰাক্ষসোত্তম, আপোনাৰ সকলো কথা মই শুনিছোঁ, আৰু সেই কাৰণে আপোনাৰ কাষ চাপিছোঁ। মই সিংহপুৰীৰ ৰজা বিক্ৰমভূপতি! আমাৰ চুবুৰীয়া ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যবিলাকে পৰস্পৰৰ লগত কাজিয়া-কন্দল কৰি সেইবোৰ অপশাসিত ৰাজ্যৰ

প্ৰজাবৰ্গক অপাৰ দুখ দিয়াত মই বিচলিত আৰু তাৰ প্ৰজাবৰ্গৰ কুলাই-পাচিয়ে নধৰা দুখ-কষ্ট গুচাবলৈ সেই ৰাজ্যবিলাক অধিকাৰ কৰিম বুলি ভাবি আপোনাৰ এই মণিৰ সহায় পোবাৰ আশা কৰি আপোনাৰ শৰণাপন্ন হৈছোঁ। আপনাৰ, আৰু এই মণিটিৰ সহায়তাবিনে মোৰ এই মহৎ কাৰ্য্যত যদি সহায় কৰে,সফল নহ'ব। এই মহৎ কাৰ্য্যত যদিসহায় কৰে, আপুনি অপাৰ পুণ্যৰ অধিকাৰী হ'ব স্থায়ী-ভাবে অভিশপ্ত ৰাক্ষসজীৱনৰ-পৰা মুক্তি পাব সেই পুণ্যৰ বলত, আৰু ময়ো প্ৰজাবৰ্গৰ সেৱা কৰি পুণ্য তথা প্ৰশান্তি লভিব।"

ৰক্ততৰ্পণে ক'লে, "যদি এই মণি দিবই লাগে, আগতে তোমাৰ ৰাজ্যলৈ মই স্বয়ং যাম, তোমাৰ শাসনকাৰ্য চাই আহিম।"

ৰক্ততৰ্পণৰ কথাত সন্মত হৈ ৰজা বিক্ৰমভূপতি ৰাজধানীলৈ উভতি গ'ল।

পাছদিনা হিমগিৰিৰ ধাৰ্মিক ৰজা বিজয়াদিত্য দণ্ডকবনলৈ আহিল আৰু ৰক্ততৰ্পণক ক'লে, "মহোদয়, মই হিমগিৰিৰ ৰজা বিজয়াদিত্য। সিংহপুৰীৰ ৰজা বিক্ৰমভূপতিয়ে আমাৰ ৰাজ্য অধিকাৰ কৰি তেওঁৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা কৰিছে। বুজিছেই, এই কাম কিমান অন্যায়। এই অন্যায়ৰ প্ৰতিবিধানৰ বাবে আপোনাৰ আৰু



এইখন ৰাজ্য সুশাসিত, প্ৰজাবৰ্গ বাস্তৱিকতে সুখী আৰু ৰজা বিজয়াদিত্য প্ৰকৃততেই ধাৰ্মিক। সিংহপুৰীয়ে যে আক্ৰমণ কৰাৰ ফন্দি কৰিছে, সেই কথাও অতিশয় স্পষ্ট।

তাৰ পাছত ৰক্তৰ্পণ সিংহপুৰীলৈ আহিল আৰু ৰাজাৰ হাল-চাললৈ চাই বুজি পালে যে ৰজা বিক্ৰমভূপতি হ'ল এজন লোভী-ক্ৰূৰ অত্যাচাৰী ৰজা।

ৰক্তৰ্পণ এতিয়া চিন্তায় পৰিল: কাক দিয়া যাব মণি? আৰু—এই মণি পোৱাৰ আচল হকদাৰ কোন?

ভাবি ভাবি অৱশেষত ৰক্তৰ্পণে সেই মহাশক্তিসম্পন্ন মণি সিংহপুৰীৰ ৰজা বিক্ৰমভূপতিক দিলে আৰু ক'লে, "এই মণিৰ যথাৰ্থ প্ৰয়োগ কৰিবা বুলি আশা কৰিছোঁ।" এই বুলি কৈয়েই ৰক্তৰ্পণে পুনৰ দণ্ডকবনলৈ বুলি খোজ ল'লে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "ৰাজন! ৰক্তৰ্পণৰ এই দান অযোগ্যপাত্ৰত দান নাছিলনে? বিক্ৰমভূপতি আছিল এজন অতি ক্ৰূৰ আৰু অত্যাচাৰী ৰজা, প্ৰজাৰ ওপৰত শসনৰ ৰথ চলাই সিইতক নিষ্পেষিত কৰি থকাটোহে বিক্ৰমভূপতিৰ স্বভাৱ। তদুপৰি, অন্য অন্য ৰাজ্য অধিকাৰ কৰি

আপোনাৰ অমূল্য মণিটিৰ সহায়ৰ বাবে প্ৰাৰ্থনা জনাইছোঁ।"

ৰক্তৰ্পণে ক'লে, "হে ৰাজন, চিন্তিত নহ'ব। মই আপোনাৰ ৰাজ্যলৈ যাম আৰু আপোনাৰ ৰাজাৰ প্ৰজাবৰ্গৰ স্থিতি চাই--তাৰ পাছত মণি দিয়া-নিদিয়াৰ নিৰ্ণয় কৰিম। আপোনাৰ শত্ৰু সিংহপুৰীৰ ৰজাকো মই এই একেই কথা কৈছোঁ।"

বিজয়াদিত্যই ৰক্তৰ্পণক নমস্কাৰ কৰি নিজ ৰাজ্যলৈ উভতি আহিল।

ৰক্তৰ্পণ পোনতে হিমগিৰি ৰাজ্যলৈ গ'ল আৰু ৰাজাৰ প্ৰজাবৰ্গৰ আচাৰ-আচৰণলৈ চাই উপলব্ধি কৰিলে যে

নিজক 'সম্ৰাট' বুলি জাহিৰ কৰাৰ ইচ্ছাৰ কথাও ৰক্তৰ্পণে ভালকৈয়েই জানিছিল। এনেহেন অত্যাচাৰী লোভী অন্যায়কাৰীক ৰক্তৰ্পণে জানি-বুজিও মণিটো দিলে কিয়? এয়া ৰক্তৰ্পণৰো অন্যায় কাম নাছিলনে? এনেহেন জঘন্যবিধৰ ৰজা এজনক মণি দান—অযোগ্যপাত্ৰত দান নাছিলনে? কিয় ৰক্তৰ্পণে ধাৰ্মিক ৰজা বিজয়াদিত্যক মণিটো নিদিলে? মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি জানি থোৱা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্য ৰজাই ক'লে, ৰক্তৰ্পণৰ এই কাৰ্য্য উপৰি উপৰি অবিবেকী যেন লাগিলেও—প্ৰকৃতপক্ষে সেয়া অযোগ্যপাত্ৰত দান বুলি ক'ব নোৱাৰি। কিয়নো, উপলব্ধিৰ যোগেদি ৰক্তৰ্পণে যি কাম কৰিছিল; সিংহপুৰীৰ ৰজাক অত্যাচাৰী বুলি জানিও মণি দান কৰাটো আছিল—প্ৰকৃতপক্ষে যোগ্যপাত্ৰত দান। হিমগিৰিৰ ধাৰ্মিক ৰজা বিজয়াদিত্য আছিল প্ৰকৃততেই সৎ দয়ালু ৰজা। তেওঁৰ মাজত মণিৰ প্ৰভাৱ একোৱেই নপৰিল-হেঁতেন। কিন্তু সিংহপুৰীৰ অত্যাচাৰী ক্ৰুৰ নিষ্ঠুৰ ৰজাক মণিয়ে যথেষ্ট পৰিবৰ্তন কৰিব বুলি ভাবি ৰক্তৰ্পণে মণিটো বিক্ৰমভূপতিক দিছিল আৰু সঠিক সিদ্ধান্ত লৈছিল বুলি নিৰ্দ্বিধাই ক'ব পাৰি। ৰক্তৰ্পণৰ এই সিদ্ধান্ত আছিল যুক্তিপূৰ্ণ, ন্যায়সংগত আৰু যোগ্য। কিয়নো—অবিবেকীক বিবেক দান, নিষ্ঠুৰহৃদয়ক কোমলহৃদয়-দান, অন্যায়কাৰীক ন্যায়-বোধ দান কৰাটোৱেই আছিল সেই মন্ত্ৰঃপূত মণিৰ সাৰকথা।"

পুনৰ এবাৰ ৰজা বিক্ৰমাদিত্যৰ মৌনতা ভংগ কৰাত সক্ষম হোৱাত বেতালে পুনৰ মৃতদেহটো লৈ সাউৎকৰে গুচি গ'ল সেই সুপ্ৰাচীন বৃক্ষজোপালৈ। [কল্পিত

জন্ম-পত্ৰিকা

লাৱণ্যা আছিল ধৰ্মপুৰীৰ ৰাজকুঁৱৰী, মহাৰাজ অনংগপালৰ একমাথোন পুত্ৰী। ৰাজকুঁৱৰীয়ে সৰ্বশাস্ত্ৰ অধ্যয়ন কৰিছিল. আৰু জ্যোতিষশাস্ত্ৰও আছিল তাৰ অন্যতম। লাৱণ্যা যেতিয়া বিবাহযোগ্যা হ'ল, তেতিয়া মহাৰাজে যোগ্য পাত্ৰ বিচাৰি থাকিল।

এদিন ৰাজকুঁৱৰীয়ে পিতাকক ক'লে, "পিতাশ্ৰী, মোৰ জন্ম-পত্ৰিকাত আছে যে মোৰ পতি সম্ৰাট হ'ব। আপুনি ৰাছকোঁৱৰসকলৰ জন্ম-পত্ৰিকা অনাওক, মই পৰীক্ষা কৰি চাম কাৰ মাজত এই সম্ভাৱনা আছে, তেওঁকে বিয়া কৰাম।"

ৰজাই পুত্ৰীৰ ইচ্ছানুসাৰে বহুসংখ্যক ৰাজকোঁৱৰৰ জন্ম-পত্ৰিকা আৰু লগতে ছবিও অনালে। সকলোবোৰ পৰীক্ষাৰ অন্তত ৰাজকুঁৱৰীয়ে ক'লে, "তেনেকুৱা ভাগ্যৱান কোনো এজনো দেখোন নাই—যিজন সম্ৰাট হ'ব পাৰিব।"

তেতিয়া মহাৰাজে পুত্ৰীক ক'লে, "জন্ম-পত্ৰিকাৰ কথা বাদ দিয়া। তুমি ছবি চাই স্থিৰ কৰা কাক তুমি তোমাৰ জীৱনলগৰীৰূপে ল'বা। তেতিয়া তোমাৰ গুৰু জ্যোতিষমাৰ্তণ্ডদেৱে তুমি যাক বাছি উলিয়াবা, তাৰ সম্ৰাট হোৱাৰ সম্ভাৱনা পৰীক্ষা কৰি চালেই হৈ যাব।"

পাছদিনা ৰাজকুঁৱৰীয়ে ছবি এখন পিতাকৰ হাতত দিলে আৰু মহাৰাজে কালবিলম্ব নকৰি বিবাহৰ বন্দবস্ত কৰি পেলালে, ধুমধামেৰে ৰাজকুঁৱৰীৰ লাৱণ্যাৰ বিয়া হৈ গ'ল।

গুৰু জ্যোতিষমাৰ্তণ্ড কাশীলৈ বুলি যাত্ৰা কৰিছিল, গতিকে সম্ৰাটত্বৰ সম্ভাৱনাৰ পৰীক্ষাও নহ'ল। কথাটো ৰাজকুঁৱৰীয়ে কোৱাত মহাৰাজে মিচিকীয়াই হাঁহি মাৰি ৰাজকুঁৱৰীক ক'লে, "তুমি কোৱা মতে—তোমাৰ জন্ম-পত্ৰিকাত আছেই নহয় যে তোমাৰ পতি সম্ৰাট হ'ব? গতিকে—জোঁৱাইবোপাৰ জন্ম-পত্ৰিকাৰ পৰীক্ষা কৰাৰ আৰু প্ৰয়োজন আছেনে বাৰু?"

ভাৰতৰ দুৰ্গ—১

পুৰাতাত্ত্বিক-অনুসন্ধান বিভাগে ১৯৬০ চনত ৰাজস্থানৰ শুকাই যোৱা সৰস্বতী-নৈৰ বালিৰ তলৰপৰা একালৰ ধ্বংসপ্ৰাপ্ত নগৰৰ অৱশেষ খান্দিবলৈ ধৰিছিল। তাত প্ৰাপ্ত ক'লা বৰণৰ খাৰুৰ বাবে ধ্বংসপ্ৰাপ্ত নগৰৰ নাম ৰাখিছিল 'কালী বংগা' (কালী=ক'লা বা ক'লী, বংগা=খাৰু)। এই নগৰ আছিল ২২০০—১৭০০ খৃষ্ট পূৰ্বাব্দৰ। এই কালৰেপৰাই কিছুমান দুৰ্গৰ অস্তিত্বৰ কথা জনা যায় গুজৰাট, ৰাজস্থান আৰু হৰিয়ানাত।

সুপ্ৰাচীন দুৰ্গ

ৰচয়িতা ঃ মীৰা উগ্ৰা

চিত্ৰাঙ্কন ঃ গৌতম সেন

দুৰ্গ-নিৰ্মাণ সাধাৰণতঃ শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা পৰিবলৈহে কৰা হয়, বা শত্ৰুক আক্ৰমণ কৰিবলৈ। দুৰ্গৰ অন্য এক উপযোগিতা হ'ল বানপানীৰপৰা জনসমষ্টিৰ ৰক্ষা। নৈবোৰ যেতিয়া ওফন্দি উঠে, আৰু যেতিয়া ভৈয়ামৰ সকলোতে পানী বেগেৰে প্ৰবাহিত হয়, তেতিয়া ওখ ঠাইত থকা দুৰ্গ হৈ উঠে জীৱনৰক্ষাৰ আশ্ৰয়স্থল। এই উদ্দেশ্যেৰেই দুৰ্গ প্ৰধানকৈ সুউচ্চ ঠাইত নিৰ্মাণ কৰা হয়। ঋগ্বেদত দুৰ্গক 'দুৰ্গ' আৰু 'পুৰ' বুলিও কোৱা হৈছে। ইন্দ্ৰৰ অন্যতম নাম হ'ল—পুৰন্দৰ অৰ্থাৎ দুৰ্গ-বিজেতা। যজুৰ্বেদত ধনুৰ্বেদত দুৰ্গ নিৰ্মাণ-সম্বন্ধীয় বিশেষ বিৱৰণ পৰিলক্ষিত।

ধনুৰ্বেদত ছয়বিধৰ দুৰ্গ-নিৰ্মাণৰ বিবৰণ

সিন্ধু-সভ্যতাকালৰ কালীবংগা নগৰ

© 1995, Amrita Bharati, Bharatiya Vidya Bhavan

আছে। এই ছবিধ হ'ল—পৰ্বতোপৰি নিৰ্মিত 'গিৰিদুৰ্গ', পানীৰ মাজত নিৰ্মিত 'জলদুৰ্গ', অৰণ্যত নিৰ্মিত 'বনদুৰ্গ', সমতল ভূমিৰ ওপৰত নিৰ্মিত 'মহি দুৰ্গ', মৰুভূমিত নিৰ্মিত 'ধন্বা দুৰ্গ', বৃক্ষৰ মাজত নিৰ্মিত 'বৃক্ষ দুৰ্গ'। এই ছবিধৰ

পুৰন্দৰ ইন্দ্ৰ

জলদুৰ্গ

দুৰ্গৰ মাজত 'গিৰিদুৰ্গ'কে সৰ্বশ্ৰেষ্ঠ বুলি গণ্য কৰা হৈছে। দুৰ্গহীন ৰজাক বিষহীন সৰ্পৰ সৈতে তুলনা কৰা হৈছে।

অযোধ্যা তথা লংকা নগৰীত থকা দুৰ্গৰ বিবৰণ 'ৰামায়ণ'ত পৰিলক্ষিত হয়। অযোধ্যাৰ দুৰ্গৰ চাৰিওফালে অসাধাৰণ গড়খাৰৈ আছিল, যিবোৰ গড়খাৰৈ পাৰ হোৱাটো আছিল দুঃসাধ্য। লংকা নগৰীৰ দুৰ্গবিলাক সুউচ্চ প্ৰাচীৰেৰে আগুৰা আছিল, আৰু আছিল অটব্য অৰণ্য, খৰস্ৰোতা নদী আৰু গড়খাৰৈৰে অৱৰুদ্ধ এইবোৰ দুৰ্গক দেৱতাবো অনতিক্ৰম্য বুলি কোৱা হৈছে।

সেতু-নিৰ্মাণ

মহাভাৰতত—হস্তিনাপুৰ, ইন্দ্ৰপ্ৰস্থ, মথুৰা, ৰাজগৃহ, অহিচ্ছত্ৰ আৰু দ্বাৰকাত থকা দুৰ্গসমূহৰ বিশদ বিবৰণ পৰিলক্ষিত হয়।

ইন্দ্ৰপ্ৰস্থৰ দুৰ্গৰ 'গোপুৰ' নামৰ পৰ্য্যবেক্ষণ-স্তম্ভ আছিল। নগৰৰ সুৰক্ষাৰ বাবে পৰ্য্যবেক্ষণৰ বিধোবিধ বন্দবস্ত আছিল। দুৰ্গৰ প্ৰধান দ্বাৰৰ উপৰিও আছিল



ভালেমান গুপ্তদ্বাৰ—যিবোৰক 'গৰুড়দ্বাৰ' বুলি কোৱা হৈছিল।

ইলাহাবাদৰ সমীপতো পুৰাতাত্ত্বিক খননকাৰ্য হৈছে, আৰু তাত কৌশাম্বীগড় নামৰ দুৰ্গৰ অস্তিত্ব প্ৰকাশিত হৈছে। এই দুৰ্গ বিখ্যাত পাণ্ডৱৰজা পৰীক্ষিতৰ পৌত্ৰৰ পুত্ৰ নিচাক্ষ-নিৰ্মিত।

বৌদ্ধ যুগৰ চম্পা, ৰাজগৃহ, ছাকেত, বাৰাণসী আদি আদিও বিখ্যাত দুৰ্গনগৰী। পশ্চিম আৰু উত্তৰ দিশত আছিল তক্ষশিলা, পুষ্কলাৱতী, গান্ধাৰ সাম্ৰাজ্য। আলেগ্‌ছান্দৰে (আলেক্‌জেণ্ডাৰ) যেতিয়া এই সাম্ৰাজ্যসমূহত আক্ৰমণ চলাইছিল, তেতিয়া দুৰ্গ থকাহেতুকে আলেগ্‌ছান্দৰৰ বিৰাট আৰু সুদক্ষ সৈন্যবাহিনীকো বাধা দিব পৰা হৈছিল সফলতাৰে। পুষ্কলাৱতী দুৰ্গক জয় কৰিবলৈ আলেগ্‌ছান্দৰক এমাহৰো অধিক সময় লাগিছিল।

সেই যুদ্ধত পৌৰৱই আলেগ্‌ছান্দৰক সমুচিত শিক্ষা দিছিল। যুদ্ধত হাতীৰ ব্যৱহাৰ মনকৰিবলগীয়া। মগধৰ শাসক ধননন্দৰ বীৰতাৰ কথা শুনি গ্ৰিক-বাহিনী কঁপি উঠিছিল। তাৰ পাছত, চন্দ্ৰগুপ্ত মৌৰ্য যেতিয়া মগধৰ শাসক আছিল, তেতিয়া গ্ৰিক পৰ্যটক মেগাস্থিনিজ ভাৰতলৈ আহিছিল। তেওঁ পাটলীপুত্ৰত

পাটলীপুত্ৰৰ দুৰ্গদ্বাৰ

নিৰ্মিত আচৰিত দুৰ্গৰ বৰ্ণনা তেওঁৰ লিখিত গ্ৰন্থত দি থৈ গৈছে। দুৰ্গৰ প্ৰাকাৰ ৪০ কি. মি.তকৈও অধিক দীৰ্ঘ। এই প্ৰাকাৰ বা প্ৰাচীৰৰ চাৰিওফালে ৩—৫ গভীৰ ১৮০ মিটাৰ বিস্তৃত গড়খাৱৈ। গড়খাৱৈৰ পানীত জাক জাক মগৰ। দুৰ্গত ৬৪খন প্ৰৱেশদ্বাৰ আৰু ৫৭০টি সুউচ্চ স্তম্ভ তথা গুম্বজ আছিল।

আমাৰ দেশৰ দুৰ্গ-নিৰ্মাণত খৃঃ পূঃ ৩০০-ৰ আগতেই দক্ষতাৰ পৰিপূৰ্ণতা দেখা গৈছিল।

[ইয়াত প্ৰকাশিত চিত্ৰসমূহ দুৰ্গৰ বিবৰণ মতে চিত্ৰকাৰে চিত্ৰিত কৰিছে। সৰ্বশেষ চিত্ৰখন সাঁচীস্তূপৰ চিত্ৰৰপৰা ৰেখায়িত।

এক অৱৰুদ্ধ দুৰ্গ

সোণৰ ময়ূৰ

কনকপুৰত এক উৰা-বাতৰিয়ে বতাহত ডেউকা মেলিলে যে বিন্ধ্যাৰণ্যত স্বৰ্ণময়ূৰ—সোণৰ ম'ৰা চৰাই ঘূৰি ফুৰা দেখা গৈছে। কনকপুৰৰ মহাৰাজ বিচিত্ৰসেন আছিল বন্যপ্ৰাণী সংগ্ৰহকাৰীইঁতৰো ৰজা, গতিকে তেওঁ তৎক্ষণাৎ চিপাহী কিছুমানক লগত লৈ বিন্ধ্যাৰণ্যলৈ বুলি ওলাল।

বিন্ধ্যাৰণ্যৰ পৰ্বতৰ নামনিত বনজইঁতৰ অৰ্থাৎ বনৰীয়া লোক সকলৰ বসতি আছিল। সেই বনজ-বসতিৰ চৰ্দাৰে মহাৰাজলৈ সাদৰ অভ্যৰ্থনা জনালে আৰু তাৰ বা সিহঁতৰ ক্ষমতা অনুযায়ী তেওঁক যথেষ্ট আপ্যায়নো কৰিলে।

মহাৰাজে চৰ্দাৰক ক'লে যে এই অৰণ্যত সোণৰ ম'ৰা চৰাই ঘূৰি ফুৰাৰ কথা শুনি সেই সোণৰ ম'ৰাক ধৰিবলৈ মই ইয়ালৈ আহিছোঁ।

সোণৰ ম'ৰা চৰাইৰ কথা শুনিয়েই বনজনচৰ্দাৰ অতি বেজাৰ যেন হৈ পৰিল আৰু ক'লে, "মহাৰাজ, সোণৰ ম'ৰা—এইফালে বহুদিন হ'ল আৰু অহাই নাই। এমাহৰ আগতে মোৰ ছোৱালীজনীয়ে সোণৰ ম'ৰাক ধৰি আপোনালৈ সন্মানৰ উপহাৰ দিব বুলি ভাবিছিল আৰু ধৰি আনিবলৈ হাবিলৈ সোমাইছিলগৈ। কিন্তু সোণৰ ম'ৰাও নাহিল, সেই তেতিয়াৰপৰা তায়ো আৰু নুঘুৰিল। আমি কিমান যে বিচাৰিলোঁ তাইক—নাপালোঁৱেই আৰু কেৱল সোণৰ পাখি এডালহে পালোঁ।" এই বুলি কৈ চৰ্দাৰে তাত থিয় হৈ থকা যুৱা বনজন এজনলৈ চালে, আৰু সেই যুৱাই ঘৰৰ ভিতৰলৈ গৈ কাপোৰেৰে

উষা গগৈ

মেৰিউৰা সোণৰ ম'ৰাৰ পাখি এডাল লৈ ৰজাৰ কাষলৈ আহিল।

মহাৰাজে সেই সোণৰ পাখিডাললৈ ৰ' লাগি চাই থাকি ক'লে, "অতি অদ্ভুত, এই ম'ৰা নিশ্চয় দেৱলোকৰপৰা অহা হৈছে। যি কি নহওক, মই অৰণ্যলৈ গৈছোঁ। মই সোণৰ ম'ৰাকো বিচাৰিম, তোমাৰ ছোৱালীজনীকো বিচাৰিম।"

মহাৰাজে অৰণ্য চলথ কৰি চালে, কিন্তু সোণৰ ম'ৰা বা সাধাৰণ ম'ৰা চৰাই এটাকো দেখা নাপালে। হতাশ হৈ মহাৰাজে যেতিয়া অৰণ্যৰপৰা ওলাবলৈ যো-জা কৰিলে, ঠিক তেতিয়াই এজন চিপাহী লৰৰি-ধাপৰি আহিল আৰু হেঁপাই-ফোঁপাই ক'লে যে সি এটা বিৰাট ফেঁটী সাপ আৰু সেই সোণৰ ম'ৰাৰ মাজত যুঁজ হৈ থকা দেখা পাই মহাৰাজক খবৰ দিবলৈ আহিছে।

মুহূৰ্ত্ততে মহাৰাজ জাঁপ মাৰি ঘোঁৰাৰ পিঠিত উঠিল আৰু গৈ গৈ বিৰাট জোপোহাৰ আঁৰত সেই বিস্ময়কৰ সোণৰ ম'ৰাক স্বচক্ষে দেখা পালে, কিন্তু চিপাহী-সকলৰ সহায়ত চাৰিওফালৰপৰা সোণৰ ম'ৰাক আগুৰি ধৰিও একোপধ্যে ধৰিব নোৱাৰিলে। কিয়নো সোণৰ ম'ৰাই নিমিষতে আকাশলৈ উৰা মাৰি গৈ গৈ নিকটৱৰ্ত্তী এখন পঁজাঘৰত সোমালগৈ। সেই পঁজাত আছিল এজনী বুঢ়ী, আৰু বুঢ়ীৰ হাতৰ ওপৰত বহি আছিল সেই সোণৰ ম'ৰা। তিমানতে মহাৰাজো পঁজাৰ কাষ চাপিছিলগৈ। তেওঁ বুঢ়ী মানুহজনীক ক'লে, "আইতা, মই এই সোণৰ ম'ৰাক ধৰিবলৈহে ইয়ালৈ আহিছোঁ। ভাল হ'ল যে—তোমাৰ হাতত উৰি পৰিল। এই ম'ৰাটি মোক দিয়া, তোমাক মই হীৰাৰ হাৰ এধাৰ দিছোঁ, এয়া লোৱা।"

আইতাই মহাৰাজক ক'লে, "কিনো বেবেৰিবাংবোৰ বকিছা? এই ম'ৰা

মোৰেই। তোমাৰ যদি নহ'লেই নহয়—পাখি এডালকে লৈ যোৱা।"

মহাৰাজে বেয়া পাই ক'লে, "শুনা মই এই দেশৰ ৰজা। এই দেশত, এই দেশৰ অৰণ্যতো পশু-পক্ষী যত যি আছে—সকলো মোৰেই, গতিকে—ম'ৰাও মোৰ।" এই বুলি কৈ মহাৰাজে বুঢ়ীৰ হাতৰপৰা সোণৰ ম'ৰা চৰাই ফলেৰে কাঢ়ি ল'বলৈ ধৰাত মহাৰাজ হঠাৎ মাটিলৈ বাগৰি পৰিল, যেনিবা তেওঁক শক্তিশালী বিজুলীয়েহে কোবালে।

সামান্য সময়ৰ অন্তত মহাৰাজ যেতিয়া মাটিৰপৰা উঠিল, তেতিয়া বুঢ়ী আইতাকে ক'লে, "চোৱা বোপা, এই চৰাই সাধাৰণ ম'ৰা চৰাই নহয়, এই ম'ৰাত দেৱতাৰ অংশ আছে। আৰু—মোৰ অনুমতি বিনে কোনেও ইয়াক লৈ যাব নোৱাৰে, তুমিও নোৱাৰিবা। যি কি নহওক, তুমি এটা কাম কৰা। সৌ তাত বীণাখন দেখিছানে? বীণাখন লোৱা, আৰু মেঘমল্লাৰ ৰাগেৰে গীত গোৱা। তেতিয়া ম'ৰাজনীৰ কণী এটা পাবা।"

বুঢ়ী আইতাকৰ কথা মতে মহাৰাজে বীণা বজাই মেঘমল্লাৰ গীত গালে আৰু তেতিয়া সেই সোণৰ ম'ৰাজনীয়ে চালি ধৰি নাচিবলৈ ধৰিলে আৰু অলপ পাছত কণী এটি দিলে।

কণীটো বুঢ়ীয়ে মহাৰাজৰ হাতত দিলে আৰু ক'লে, "বোপা, ঠিক সাতদিনৰ দিনা এই কণীৰপৰা পোৱালি এটি পাবা। কিন্তু এটা কথা মনত ৰাখিবা, ইয়াৰ গাত বেলিৰ পোহৰ নপৰে যেন। আৰু এটা কথা, এই কণীৰ কথা কাকো একো নক'বা, তেতিয়া ইয়াৰ মহিমা নোহোৱা হ'ব।"

মহাৰাজে সেই কণীটোৰে সৈতে ৰংমনে ৰাজধানীলৈ উভতিলে, আৰু কণীটো এটা চন্দনকাঠৰ সৰু পেৰাত থৈ অন্তঃপুৰৰ কক্ষ এটিৰ এচুকত থৈ দিলে।

এদিন-দুদিনকৈ ছদিন উকলিল। সপ্তম দিনত মহাৰাজৰ বাৰ বছৰীয়া ছোৱালী-জনীয়ে তাইৰ সখিয়েকহঁতক দেখুৱাবৰ মনেৰে সেইটো উদ্যানলৈ লৈ গ'ল। তেতিয়াও বেলি মাৰ যোৱা নাছিল, বেলিৰ হেঙুলী পোহৰ কণীটোৰ ওপৰত পৰিল আৰু তেতিয়াই কণীটো ফট্‌কৈ ফুটি তাৰপৰা সক সাপ এটা ওলাল আৰু সেই সাপটোৱে ৰাজকুঁৱৰীক খুটি—পলাল।

আৰু লগে লগে সেই বাৰ বছৰীয়া ৰাজকুঁৱৰীজনী এজনী সোণৰ ম'ৰা চৰাইলৈ ৰূপান্তৰিতা হৈ আকাশলৈ ডেউকা মেলি উৰি উৰি অৰণ্যৰ পিনে গুচি গ'ল।

ৰাজকুঁৱৰীৰ সখিয়েক কেইজনীয়ে আৰ্তনাদ কৰি উঠিল, আৰু মহাৰাজক এই ভয়ানক বাতৰি দিলেগৈ।

আৰু মহাৰাজেও চকুৰ পচাৰতে জঁপ মাৰি ঘোঁৰাত উঠি গ'লগৈ সেই অটব্য অৰণ্যত থকা বুঢ়ী আইতাকৰ পঁজালৈ।

বেদনাগধুৰ মহাৰাজে বুঢ়ীৰ পঁজাত তিনিজনী সোণৰ ম'ৰা চৰাই দেখা পালে; তিনিওজনীয়েই দেখাত হুবহু এক, তিলমানো ইফাল সিফাল নহয়।

বুঢ়ী আইতাকে মহাৰাজক ক'লে, "কি কথা বোপা, আক' আহিলা যে—? কণীৰপৰা চৰাই নজগিলনে কিবা—?"

বুঢ়ীৰ ভালৰি বোলোৱা কথা শুনি মহাৰাজ ক্ৰোধিত হ'ল আৰু তেওঁ ক'লে, "হাৰে বুঢ়ী, ভাওনা এৰি সঁচা কোৱা, নহ'লে যমৰ ঘৰলৈ যোৱা। খবৰ্দাৰ! মোৰ একমাত্ৰ পুত্ৰীক ঘূৰাই দিয়া, নহ'লে তোমাক—" মহাৰাজে তৰোৱাল খাপৰ-পৰা উলিয়াই লৈ বুঢ়ীক হুমিয়ালে।

বুঢ়ীয়ে তাইৰ সোলা মুখৰ অট্টহাঁহিৰে অৰণ্য কঁপাই তুলিলে আৰু ক'লে, "তুমি যে বিৰাট বীৰ, জানিছোঁ। পিছে—তৰোৱালপাট খাপতে থাকিব ভাল, নহ'লে হ'পাৰে তোমাৰেই কাল। যেই কি নহওক—এই তিনিজনী সোণৰ ম'ৰাৰ

মাজত তোমাৰ পুত্ৰী কোনজনী—যদি সঠিককৈ ক'ব পাৰা—তাইক মই ঘূৰাই দিম, কথা দিলোঁ। আৰু যদি ক'ব নোৱাৰা তুমিও সোণৰ ম'ৰালৈ ৰূপান্তৰিত হ'বা। হা—হা—হাঃ হা—!"

মহাৰাজ বিচিত্ৰসেনে তৰোৱাল খাপত ভৰাই থৈ সেই ম'ৰাকেইজনীলৈ তীক্ষ্ণ দৃষ্টিৰে চালে। এজনী সোণৰ ম'ৰাই ডিঙি মেলি মেলি মহাৰাজৰলৈ বাৰে বাৰে চাই আছিল। আন এজনী ম'ৰাই তলমূৰ হৈ বহি আছিল। মাত্ৰ এজনীহে আছিল তজবজীয়া।

মহাৰাজলৈ ডিঙি মেলি মেলি চোৱা-জনীলৈ আঙুলিয়াই মহাৰাজে বুঢ়ীক ক'লে, "সৌজনী মোৰ পুত্ৰী।"

বুঢ়ী আইতাকে মহাৰাজক ক'লে, "তোমাৰ দিষ্টিও ভাল, অদিষ্টও ভাল। ঠিকেই ঠাৰৰ কৰিলা বোপা। লৈ যোৱা তাইক।" এই বুলি কৈ ম'ৰাজনীৰ গাত ফুৱালে বুঢ়ীয়ে। আৰু লগে লগে মহাৰাজে তেওঁৰ পুত্ৰীক ঘূৰাই পালে।

তাৰ পাছত—মহাৰাজে বুঢ়ী আইতাকক অনুৰোধ কৰিলে বনজনচৰ্দাৰৰ পুত্ৰীকো ঘূৰাই দিবলৈ। বুঢ়ী আইতাকে ক'লে, "বনৰীয়া চৰ্দাৰৰ বেটীক কিয়—? তোমাৰ জনীক পালা, যোৱাগৈ।"

"শুনা, মোৰ ৰাজ্যৰ প্ৰতিজনেই মোৰ বুকুৰ আপোন। আনকি তুমিও মোৰেই। প্ৰত্যেকক ৰক্ষা কৰাটোৱেই ৰাজধৰ্ম।"

মহাৰাজক ভূৰি ভূৰি প্ৰশংসা কৰাৰ অন্তত বুঢ়ী আইতাকে বনজনচৰ্দাৰৰ পুত্ৰীকো মহাৰাজৰ হাতত সঁপি দিছিল।

কিন্তু তাৰ পাছত যে সেই বুঢ়ী আৰু সেই পঁজাঘৰটোৰ কি হ'ল—সেই কথা কোনেও ক'ব নোৱাৰে। এই ঘটনাৰ পাছৰপৰা সেই অৰণ্যত সোণৰ ম'ৰা বা বুঢ়ী আইতা—কাকো আৰু কেতিয়াও দেখা নগৈছিল।

আমোদৰ দাম

ৰাজগায়কহঁতে ৰজাৰ তুতি-গীতি গাই আছিল। কিন্তু কিয়-কোৱা টান, সেই দিনা মহাৰাজে এই গীত ভাল নোপোৱা হ'ল। তেওঁৰ কথা হ'ল—শুনি শুনি কাণ ঘোলা হ'ল। তেওঁ তেওঁৰ মহামন্ত্ৰীক ক'লে, "এইবোৰ কলাকাৰবোৰ হ'ল—ধোদৰ পচলা। এইবোৰ হ'ল সমাজখনৰ ৰঘুমৰা। ৰঘুমৰাৰ যেনেকৈ শিপা নাই, ইহঁত গায়ক-বাদকহঁতো—তেনেকুৱাই। ৰঘুমৰা হৈও খাবৰ-জীৱৰ লখ থকাকাৰণে সমাজত এইবোৰৰ সংখ্যা দিনে দিনে বাঢ়িহে গৈছে। ইহঁতক কওক—কলা এৰি কোদাল লৈ পেট প্ৰৱৰ্তাব লাগে। কওক যে—এয়া মোৰ আদেশ। কওক,—আৰু ৰাজসভাৰপৰা ইহঁতক এতিয়াই একেবাৰে গতিয়াই উলিয়াই দিয়ক।"

মহামন্ত্ৰীয়ে মুচুককৰে হাঁহি এটি মাৰিলে আৰু ক'লে, "মহাৰাজ, মোৰ কথা আপুনি শুনিবও পাৰে, নুশুনিবও পাৰে। শুনা-নুশুনা আপোনাৰ ইচ্ছা। কিন্তু মই আপোনাৰ লোণ-খোৱা মানুহ। গতিকে মই ক'মেই, আৰু মোৰ প্ৰাৰ্থনা, আপুনি মোৰ কথাখিনি অনুগ্ৰহ কৰি শুনকেই। বিনোদন—আনন্দ প্ৰদান বা গ্ৰহণো জীৱনৰ অংগ। কেতিয়াবা কোনোবা ধৰণৰ আনন্দ আমাৰ ভাল নালাগিবও পাৰে; কিন্তু তাৰ অৰ্থ এই নহয় যে আনন্দ দানকাৰীক উলিয়াই দিব লাগে। ব্যক্তিগত জীৱিকাৰ বাবে, বা দেশৰ বাবে মানুহে যেনেকৈ কায়িক শ্ৰম কৰিব লাগে, তেনেকৈ কলাৰ মাধ্যমত আনন্দ প্ৰদানো কৰিব লাগে। এই কথা কেৱল মই

ৰেৱতী ৰায়চৌধাৰী

কোৱা নাই, দেশ-বিদেশৰ জ্ঞানী-গুণী-সকলেও এয়ে বক্তব্য মহাৰাজ।"

মহাৰাজে তীব্ৰ কণ্ঠেৰে ক'লে, "মহামন্ত্ৰী, দেশৰ কাৰণে আমাৰ লাগে বীৰ— বীৰতা থকা মানুহ— এনেবোৰ ৰঘুমৰা নালাগে নহয়? কথাতে বোলে —'কষ্টে ফলে'। কষ্ট কৰিলেহে ইষ্ট মিলে। বীৰসকলে বহুত কষ্ট কৰে, তেওঁলোকক সহায় কৰাৰ যোগেদি দেশৰ আৰ্থিক ভিত্তি সুদৃঢ় কৰক। আমোদ-প্ৰমোদ আমাক নালাগে। আমোদ-প্ৰমোদেৰেনো কি কাম হয়? খায়নে পিন্ধে? আমোদ-প্ৰমোদ তো নালাগেই —গীত-ৰচক, চিত্ৰশিল্পী, কবি — এই বোৰকো দেশৰ হকে প্ৰকৃত পৰিশ্ৰমৰ কাম—প্ৰকৃত উৎপাদনমুখী শ্ৰম কৰিবলৈ আদেশ দিয়ক। আমাক সেইবোৰ লেণীয়া লেণীয়া লেনপেনীয়া-লেনপেনীয়া গীত-মাত-কবিতা-টবিতা একোৱেই নালাগে। মোৰ এই কথা সাময়িক নহয়, বা ক্ৰোধৰ প্ৰকাশো নহয়। এয়ে মোৰ চূড়ান্ত সিদ্ধান্ত আৰু আদেশ।"

মহামন্ত্ৰীয়ে আৰু একোৰেই নক'লে।

*

কিছুদিনৰ ভিতৰত সদৌ দেশবাসীয়েই জানিলে যে কবি-গায়ক-নট-নাট্যকাৰ-

চিত্ৰশিল্পী-মূৰ্তি শিল্পী — সকলোবোৰেই ধোদৰ পচলা-সমাজৰ ৰঘুমলা। ৰজাৰ ভয়ত কোনেও আৰু আমোদ-প্ৰমোদ বা মনোৰঞ্জনৰ নামকে নকৰা হ'ল। সমগ্ৰ দেশত যেনিবা এক নৈঃশব্দৰ ৰাজত্ব প্ৰতিষ্ঠিত হ'ল, ৰাইজৰ মুখ-চকুত আনন্দৰ চিন-মোকামো নথকা হ'ল, হাঁহি-ফূৰ্তিও নোহোৱা হ'ল, যেনিবা সমগ্ৰ দেশত এক অত্যন্ত ভীতিকৰ অস্বস্তিকৰ অন্ধকাৰৰ ৰাজত্ব প্ৰতিষ্ঠিত হ'ল।

*

এনেতে মহাৰাণী অসুস্থ হৈ পৰিল। ৰাজবৈদ্যই ভালকৈ পৰীক্ষা-নিৰিক্ষা কৰাৰ

অন্তত ক'লে, "মহাৰাজ, আমাৰ মহাৰাণীৰ মনোৰঞ্জনৰ বাবে বন্দৰস্ত কৰক, তেওঁ ভাল হৈ উঠিব বুলি আশা কৰিছোঁ। আয়ুৰ্বেদশাস্ত্ৰত এই কথা অতি স্পষ্টকৈয়েই কোৱা হৈছে যে—আনন্দ হ'ল শৰীৰৰ অৰ্ধ-শক্তি। মন যদি সুস্থ থাকে, শৰীৰো সুস্থ হৈ থাকিব এই কথাত সন্দেহ নাই।"

*

ৰাজবৈদ্যৰ কথাত মহাৰাজ চিন্তাত পৰিল। তাত তেতিয়া মহামন্ত্ৰীও উপস্থিত আছিল, তেওঁ মহাৰাজক ক'লে, মহাৰাজ, আগতে আপুনিও ৰাজকাৰ্য্যত পৰিশ্ৰান্ত হৈ কিঞ্চিত সময় আমোদ-প্ৰমোদতে অতিবাহিত কৰিছিল, আৰু শ্ৰান্তি গুচাইছিল, আৰু তেতিয়া আমাৰ মহাৰাণীয়েও সেই আনন্দৰ অংশলাভ কৰি প্ৰফুল্লিত হৈছিল। নিৰ্মল আনন্দতনো দোষ কি—কথাটো ভাবি চালে ভাল হয়, মহাৰাজ। কিয়নো, কেৱল ৰাজ-পৰিয়ালত নহয়, দেশৰ সামগ্ৰ ৰাইজৰ মন ব্যাধিগ্ৰস্ত হৈ উঠিছে — একমাত্ৰ আমোদ-প্ৰমোদৰ অভাৱত।"

অতঃপৰ মহাৰাজে পুনৰ কলাকাৰ-সকললৈ আদৰ-অভ্যৰ্থনা জ্ঞাপন কৰিলে, আৰু কিছুদিনৰ অন্তত মাত্ৰ এই কথাতে দেশৰ চুকে-কোণে প্ৰজাবৰ্গৰ মাজত এক অভাৱিত আনন্দৰ জোৱাৰ বৈ গ'ল।

*

দেশৰ প্ৰজাবৰ্গই অন্ধকাৰৰ বন্দীত্বৰপৰা মুক্তি পাই স্বস্তিৰ নিঃশ্বাস এৰিলে আৰু আনন্দেৰে সৈতে জীৱন স্বাভাৱিক কৰ্মদ্যোগত মন দিলে।

সামান্য কেইদিনমানতে মহাৰাণীও আগৰদৰেই সুস্থ হৈ উঠিল, আৰু মহাৰাজে নিজৰ ভুলৰ কথা আৰু জীৱনত আমোদ-প্ৰমোদৰ মূল্যৰ কথা অকপটে স্বীকাৰ কৰি মহামন্ত্ৰীৰপৰা একপ্ৰকাৰে ক্ষমা প্ৰাৰ্থনা কৰিলে।



মহাভাৰত

৯

কৃপাচাৰ্য্যই কৰ্ণক ক'লে যে অৰ্জুনৰ সৈতে দ্বন্দ্বযুদ্ধ কৰিবলৈ হ'লে কৰ্ণয়ো ৰজা হ'ব লাগিব। কৰ্ণই তোওঁৰ মাতৃ-পিতৃৰ নাম ক'বলৈ সংকোচ বোধ কৰি আছিল। দুৰ্য্যোধনে সকলো কথা-কাণ্ডলৈ মন কৰি আছিল। তেওঁ আগুৱাই আহি কৃপাচাৰ্য্যক ক'লে, "অৰ্জুনৰ সৈতে দ্বন্দ্বযুদ্ধৰ বাধা যদি ৰাজত্ব, মই এহিক্ষণে কৰ্ণক অংগদেশৰ ৰজা ৰূপে ঘোষণা কৰিছোঁ।"

দুৰ্য্যোধনৰ আজ্ঞা মতে পুৰোহিত মতাই অনা হ'ল, স্বৰ্ণ-সিংহাসন লৈ অহা হ'ল, লৈ অহা হ'ল সুবৰ্ণকলস। তাৰ পাছত কৰ্ণক স্বৰ্ণ-সিংহাসনত অধিষ্ঠিত কৰি তেওঁৰ ৰাজ্যাভিষেক তৎক্ষণাৎ সুসম্পন্ন কৰা হ'ল আৰু কৰ্ণ ৰজা হৈ গ'ল।

তেতিয়া কৰ্ণই দুৰ্য্যোধনক ক'লে, "মহাৰাজ আপুনি মোক ৰজা ৰূপে প্ৰতিষ্ঠিত কৰিলে। আপোনাৰ এই ঋণৰ সামান্যও কেনেকৈ পৰিশোধ কৰিব পাৰোঁ, কওক।"

দুৰ্য্যোধনে ক'লে, "মোক তোমাৰ বন্ধুত্বহে লাগে। এই বন্ধুত্বৰেই তুমি ঋণমুক্ত হ'ব পাৰিবা।"

সূত আছিল কৰ্ণৰ পালনকৰ্তা। সূতই ৰথৰপৰা নামি আহি ৰজা কৰ্ণলৈ অভিনন্দন জ্ঞাপন কৰিলে। কৰ্ণ-ই পুত্ৰৰ দৰে সূতক প্ৰণাম কৰিলে। আৰু তেতিয়া এই কথা ওলাই পৰিল যে কৰ্ণ হ'ল সূতপুত্ৰ।

তেতিয়া ভীমে কৰ্ণক ক'লে' "সূতপুত্ৰ,

'কৰ্ণৰ ৰাজ্যাভিষেক'

আগতীয়াকৈ ক'ব নোৱাৰে। কৰ্ণই কৱচ-কুণ্ডলৰে সৈতে জন্মগ্ৰহণ কৰিছে। কৰ্ণ অসাধাৰণ মনুষ্য। কেৱল অংগদেশৰ নহয়, কৰ্ণই আনকি সমগ্ৰ বিশ্বকো শাসন কৰিব পাৰে। কৰ্ণ হ'ল মহান পৰাক্ৰমী। কৰ্ণৰ বীৰতালৈ কোনেও কণামাত্ৰ সন্দেহো পোষণ নকৰাই শ্ৰেয়ঃ। মই কৰ্ণক ৰজাৰূপে অধিষ্ঠিত কৰিলোঁ, যদি কাৰোবাৰ আপত্তি আছে, মোৰ সৈতে দ্বন্দ্বযুদ্ধ কৰিবলৈ আগুৱাই আহিব লাগে।"

কিন্তু তেতিয়া সূৰ্য্যাস্ত। গতিকে কোনো এজনেও দ্বন্দ্বযুদ্ধত লিপ্ত হ'বলগা নোহোৱাত ভীত বিপদগ্ৰস্ত দুৰ্য্যোধনেও একপ্ৰকাৰে স্বস্তিৰ উশাহ এৰা হ'ল।

*

এইদৰে বহু দিন অতিক্ৰান্ত হ'ল। এদিন দ্ৰোণই তেওঁৰ সকলো শিষ্যক এঠাইত সমবেত কৰিলে আৰু ক'লে, "মোক এতিয়া গুৰু-দক্ষিণা লাগে।"

কি গুৰুদক্ষিণা লাগে বুলি সকলো শিষ্যই সোধাত দ্ৰোণাচাৰ্য্যই ক'লে, "অবিবেকী পাঞ্চালৰাজ দ্ৰুপদক বন্দী কৰি আনি দিব লাগে।"

গুৰুৰ আজ্ঞা পালন কৰাৰ বাবে সকলো সষ্টম হ'ল। ৰথ সজ্জিত কৰা হ'ল, কৱচ পৰিধান কৰিলে, তৰবাৰি-ধনুৰ্বাণ

ৰথ চলোৱাহে তোমাৰ জীৱিকা। গতিকে —এতিয়াৰপৰা বংশানুক্ৰমিক জীৱিকাত ধৰিলেহে ভাল। অৰ্জুনৰ সৈতে দ্বন্দ্বযুদ্ধৰ হাওঁৰণি মাৰি থকাত লাভ কি? এইবোৰ প্ৰলাপ পৰিত্যাগ কৰাঁ। কোৱাচোন বাৰু, অংগদেশৰ ৰজা হোৱাত তোমাৰ কি লাভ হ'ল?"

কৰ্ণ-ই কথাৰ কোনো উত্তৰ নিদিয়াত দুৰ্য্যোধনে ভীমক ক'লে, "ভীমসেন, তোমাৰ এইবোৰ কথা অনুচিত কথা। ৰজা এগৰাকীয়ে ক্ষমতামদমত্তৰ বিৰুদ্ধে যুঁজিব---এয়া স্বাভাৱিক ধৰ্ম। বীৰৰ জন্ম আৰু নদীৰ জন্মৰ কথা কোনেও

আদি অস্ত্ৰ-শস্ত্ৰ ল'লে, আৰু গুৰুৰ সৈতে যুদ্ধ-যাত্ৰা কৰিলে।

শিষ্যসকল যেতিয়া পাঞ্চালৰাজ্যৰ সমীপৱৰ্তী হ'ল, তেতিয়া অৰ্জুনে গুৰু দ্ৰোণাচাৰ্য্যক ক'লে, "গুৰু, এওঁলোকৰ মাজত কোনেও দ্ৰুপদৰজাক বন্দী কৰিব নোৱাৰিব। প্ৰথমে কৌৰৱসকলে চেষ্টা কৰক, পাছত আমি পাণ্ডৱসকলে চেষ্টা কৰিম। আৰু আপোনাৰ সমুখত বন্দী দ্ৰুপদৰজাক আনি দিম।"

দুৰ্য্যোধনে তেওঁৰ ভ্ৰাতৃবৃন্দক আৰু কৰ্ণকো লগত লৈ দ্ৰুপদৰজাক বন্দী কৰি আনিবলৈ গ'ল, কিন্তু কিছু সময়ৰ অন্তত সম্পূৰ্ণ ব্যৰ্থ হৈ উভতি আহিল।

তেতিয়া অৰ্জুনে দ্ৰোণক প্ৰণাম কৰিলে, ধৰ্মৰাজ যুধিষ্ঠিৰক প্ৰণাম কৰি তেওঁৰ অনুমতি ল'লে, আৰু ভীমক সৈনাপত্যৰ দায়িত্ব অৰ্পণ কৰি নকুল আৰু সহদেৱক ৰথ-ৰক্ষকৰ দায়িত্ব দিলে, আৰু তাৰ পাছত দ্ৰুপদৰজাক বন্দী কৰি লৈ অহাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি পাঞ্চাল-ৰাজ্যলৈ বুলি ৰাওনা কৰিলে।

ভীম আৰু অৰ্জুনে সম্মিলিতভাবে দ্ৰুপদৰজাৰ বিৰাট সৈন্যবাহিনীক ছাৰখাৰ কৰি পেলালে, আৰু তেতিয়া দ্ৰুপদৰজাই বাধ্যত পৰি আত্মৰক্ষাৰ কথা ভাবিবলৈ ধৰিলে। কিন্তু অকস্মাৎ অৰ্জুন ধুমুহাৰ দৰে দ্ৰুপদৰজাৰ আগত উপস্থিত হ'ল



আৰু দুয়োৰো মাজত এক বিৰাট থৈয়া-নথৈয়া লাগি পৰিল।

যুদ্ধ চলি থকাৰ মাজত দ্রুপদ কেতিয়াবা নেদেখা হৈ পৰাত, দ্রুপদৰ সৈন্যহঁতৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছিল। অৰ্জুনে দ্রুপদক মুঠিত ভৰাবৰ বাবে ভয়ানক যুদ্ধ কৰিবলগীয়া হৈছিল, আৰু বহু সময় ধৰি যুদ্ধৰ অন্তত এসময়ত দ্রুপদৰ ৰথ আৰু অস্ত্ৰ-শস্ত্ৰ ধ্বংস কৰি বন্দী কৰি গুৰু দ্ৰোণাচাৰ্য্যৰ ওচৰলৈ লৈ আহিছিল।

তেতিয়া দ্ৰোণই দ্রুপদক ক'লে, "হে পাঞ্চালৰাজ, এতিয়া তোমাৰ কাপিল্য নগৰত আমাৰ অধিকাৰ, এতিয়া, মই যে তোমাৰ বাল্যবন্ধু, মনত পৰিবনে? মানিবানে? ভয় নকৰিবা। মই শান্ত-স্বভাৱৰ ব্ৰাহ্মণ এজন। যি কি নহওক, মই তোমাৰ ৰাজ্য বলেৰে যদিও অধিকাৰ কৰিলোঁ, তথাপি 'অৰ্দ্ধৰাজ্য তোমাক ঘূৰাই দিম, আৰু তাত তুমি নিষ্কণ্টকৰূপে ৰাজত্ব কৰিব পাৰিবা। গংগাৰ দক্ষিণভাগ তোমাৰ, আৰু উত্তৰভাগ মোৰ। এতিয়া তুমিও ৰজা, ময়ো; গতিকে ৰজাই ৰজাই নিশ্চয় বন্ধুত্ব হ'ব পাৰে। কি কোৱা?"

তেতিয়াৰপৰা দ্রুপদ দক্ষিণ-পাঞ্চালৰ ৰজা হ'ল, দ্রুপদৰজাৰ ৰাজধানী হ'ল মাকন্দী আৰু কাপিল্য। সৈন্যবাহিনীয়ে যে কদাপি দ্ৰোণক পৰাজিত কৰি সমগ্ৰ ৰাজ্য পুনৰুদ্ধাৰ কৰিব নোৱাৰে—সেই কথা দ্রুপদৰজাই সঠিক উপলব্ধি কৰিছিল, আৰু তেওঁৰ কোনো সন্তান তথা উত্তৰাধিকাৰী— নথকাত তেওঁৰ ৰাজ্যলিপ্সা তিৰোহিতপ্ৰায় হৈছিল, আৰু তেওঁ দেশভ্ৰমণ কৰি সাধুসংগ কৰিছিল।

দ্ৰোণ আছিল দক্ষিণ-পাঞ্চালৰ ৰজা, তেওঁৰ ৰাজধানী আছিল অহিচ্ছত্ৰ।

*

এবছৰ অতিক্ৰান্ত হ'ল। ধৃতৰাষ্ট্ৰই ধৰ্মৰাজক যুৱৰাজ পাতিবলৈ সংকল্প কৰিলে। ধৰ্মৰাজ আছিল সাহসী, সহিষ্ণু

আৰু সৰল স্বভাৱৰ। যুৱৰাজ হোৱাৰ পাছত ধৰ্মৰাজে সুচাৰুৰূপেই শাসনকাৰ্য্য চলাইছিল। প্ৰজাবৰ্গই কৈছিল যে তেওঁ তেওঁৰ পিতৃদেৱতকৈ অধিক দক্ষতাৰে শাসনকাৰ্য্য কৰিছিল।

ভীম আছিল বলৰামৰ শিষ্য। ভীমে গদাযুদ্ধ আৰু তৰৱাৰি-যুদ্ধতো নৈপুণ্য আৰ্জিছিল। অৰ্জুনে যেতিয়া ধনুৰ্বাণৰ যুদ্ধত কিবা কাৰণ হাতত আঘাত পাইছিল, তেতিয়াও ধনুৰ্বাণ হাতৰপৰা নেৰিছিল। অৰ্জুনে তীব্ৰ-গতিৰে বাণ নিক্ষেপ কৰিব পাৰিছিল আৰু লক্ষভেদত আছিল অদ্বিতীয়। অৰ্জুনৰ ওপৰত দ্ৰোণ আছিল অতি সন্তুষ্ট। কেৱল বাণেই নহয়, অন্যান্য আয়ুধতো অৰ্জুন আছিল শ্ৰেষ্ঠতম।

দ্ৰোণই অৰ্জুনক কৈছিল, "যিকোনো যোদ্ধাই যদি তোমাৰ সৈতে যুদ্ধ কৰাত আকাংক্ষিত হয়, তুমি নিশ্চয় সেই যোদ্ধাক বিমুখ নকৰিবা। যুদ্ধ হ'ল তোমাৰ ক্ষাত্ৰধৰ্ম।"

অৰ্জুন আছিল দ্ৰোণৰ অতিকৈ' মৰমৰ। সৌবীৰ ৰাজ বিমল, দত্তামিত্ৰ তথা তেওঁৰ ভায়েক কৌৰৱৰ শত্ৰু আছিল। অৰ্জুনে সেই তিনিওকো বধিছিল। অৰ্জুনে অকলেই উক্ত ৰাজসকলৰ দহ-সহস্ৰ সৈন্যক নিধন কৰিছিল। আশ-কাষৰ আন বহুতো ৰজাক পৰাজিত কৰিছিল অৰ্জুনে, বহুতকে কৌৰৱৰ সামন্ত

কৰিছিল আৰু বিভিন্ন মূল্যৱান দ্ৰব্য-সামগ্ৰী হস্তিনাপুৰলৈ লৈ আহিছিল।

আনকি নকুল-সহদেৱেও কৌৰৱৰ বাহুতো শত্ৰুক নিধন কৰিছিল, নানান ঐশ্বৰ্য্য লৈ আহিছিল।

পাণ্ডৱ সকলৰ খ্যাতি দশো-দিশে ব্যাপ্ত হৈ পৰিছিল আৰু তৰ ফলত ধৃতৰাষ্ট্ৰ ঈৰ্ষান্বিত হৈ উঠিছিল। পাণ্ডৱক এইদৰে বাঢ়িবলৈ দিব লাগেনে নমাৰ লাগে—ধৃতৰাষ্ট্ৰই স্থিৰকৈ স্থিৰ কৰিব নোৱাৰি কণিক নামৰ এগৰাকী ব্ৰাহ্মণৰপৰা এই বিষয়ে পৰামৰ্শ প্ৰাৰ্থনা কৰিল।

কণিকে ক'লে যে — শত্ৰু যেয়েই নহওক যিয়েই নহওক—শত্ৰুমাত্ৰকে নাশ কৰাটোহে বিধেয়।

ধৃতৰাষ্ট্ৰৰ দৰে দুৰ্য্যোধনো পাণ্ডৱসকল পায়া পোৱা বুলি গণি ভিতৰি ভিতৰি ঈৰ্ষাৰ জুইৰে জ্বলি আছিল। তেওঁ কৰ্ণ, শকুনি, দুঃশাসন আদিৰপৰা এই বিষয়ে পৰামৰ্শ বিচাৰিলে যে পাণ্ডৱৰ নাশ কেনেকৈ কৰিব পাৰি। তাৰ পাছত তেওঁ তেওঁৰ পিতৃ ধৃতৰাষ্ট্ৰক এদিন ক'লে, "পিতাশ্ৰী, পাণ্ডৱহঁতৰ খ্যাতি দিনে দিনে বাঢ়িছে। দেশবাসীয়ে পঞ্চমুখে পাণ্ডৱ-হঁতৰ গুণগান কৰিছে। আৰু তাৰ ফলত আমি কৌৰৱসকল হৈ পৰিছোঁ ক্ষুদ্ৰাতি-ক্ষুদ্ৰ। এইদৰে পাণ্ডৱহঁতে আমাক অপমান কৰিছে। আগলৈ সিহঁতেই ৰজা হ'ব আৰু হৈ থাকিব যেনেই পাইছোঁ। তেতিয়া আমাৰ কৌৰৱ বংশৰ চিন-মোকামো নোহোৱা হ'ব। গতিকে—সিহঁতক হত্যা কৰাৰ বাহিৰে আমাৰ আৰু উপায় নাই দেখি আগলৈ আমি এই কাম কৰাৰ আঁচনি লৈছোঁ।"

পুত্ৰৰ এই সিদ্ধান্তত ধৃতৰাষ্ট্ৰ তুষ্ট হ'ল আৰু তেওঁ তেওঁৰ সন্মতি দিলে দুৰ্য্যোধনৰ এই কাৰ্য ক্ৰমত।

দুৰ্য্যোধনৰ আঁচনি আছিল : পাণ্ডৱ-সকলক বাৰণাৱতপুৰলৈ অৰ্থাৎ কাশীলৈ

পঠোৱা হ'ব আৰু লা-ৰে সজা গৃহত থাকিবলৈ দিয়া হ'ব, যিটো লাক্ষাগৃহত জুই লগাই দিয়াৰ পাছত পাণ্ডৱহঁতৰ এমুঠি ভস্মহে কেৱল থাকিবগৈ।

ধৃতৰাষ্ট্ৰৰ আজ্ঞামতে তেওঁৰ মন্ত্ৰী এগৰাকীয়ে পাণ্ডৱসকলৰ ওচৰলৈ গৈ কথাই কথাই বাৰণাৱতপুৰৰ প্ৰশংসা কৰিলে আৰু তালৈ যাবলৈ পাণ্ডৱৰ মনত উৎসাহৰ সঞ্চাৰ কৰিলে।

স্বয়ং ধৃতৰাষ্ট্ৰয়ো এদিন ইকথা-সিকথাৰ মাজত পাণ্ডৱসকলক ক'লে, "পুত্ৰহঁত, কোৱা হয়, জীৱনত অন্ততঃ এটি বাৰলৈ বাৰণাৱতপুৰলৈ নগ'লে মানৱ জন্ম বৃথা। বৰণাৱতপুৰৰ সৌন্দৰ্য্য হেনো বৰ্ণনাতীত। পাৰিলে এবাৰ চাই আহা আৰু উভতি আহি মোক কোৱা — যে তাত কি দেখিলা আৰু কেনে পালা।"

কিন্তু ধৃতৰাষ্ট্ৰৰ কথাত ধৰ্মৰাজৰ মনত সন্দেহ উপস্থিত হ'ল। তেওঁ ভাবিলে যে ধৃতৰাষ্ট্ৰই সুকৌশলে পাণ্ডৱসকলক দেশৰপৰা বহিষ্কাৰ কৰাৰ আঁচনি লৈছে। সেইহে, ধৰ্মৰাজে ধৃতৰাষ্ট্ৰৰ কথাত কোনো উৎসাহ প্ৰদৰ্শন নকৰিল।

ইফালে দুৰ্যোধনে পুৰোচন নামৰ শিল্পী এজনক মতাই আনালে আৰু ক'লে, "আমাৰ পিতাদেৱে পাণ্ডৱহঁতক বাৰণাৱত-পুৰলৈ পঠাব। তুমি আগতেই তালৈ যাবা, আৰু এটা ঘৰ লা-ৰে সাজি দিবা, যাতে জুই লগোৱামাত্ৰেই নিমিষতে সেই ঘৰটো পুৰি ভস্ম হয়। তোমাৰ এই কাৰ্য্যৰ বাবে তোমাক যথোচিত মূল্য, আৰু তদুপৰি কল্পনাতীত পুৰস্কাৰো দিয়া হ'ব। এনে পুৰস্কাৰ দিয়া হ'ব—যি পুৰস্কাৰ তোমাৰ আশাতীত কল্পনাতীত।"

দুৰ্যোধনৰ প্ৰস্তাৱত পুৰোচন সন্মত নহৈ নোৱাৰিলে, আৰু বায়ুবেগী অশ্বই টনা ৰথত উঠি পাছদিনাই বাৰণাৱতপুৰলৈ বুলি ৰাওনা কৰিলে। [আগলৈ



বলীনৰ অনুমান

বলীনৰ হেনো বলিয়ালিৰ লা-লক্ষণ দেখা গৈছে। সেই কাৰণে, বলীনৰ খুড়াকৰ ল'ৰা তেজেন বলীনক চিকিৎসা কৰাবলৈ চহৰলৈ লৈ গ'ল। ডুমাহমান চিকিৎসাৰ অন্তত চিকিৎসকে ক'লে যে বলীন এতিয়া সম্পূৰ্ণ সুস্থ, গতিকে ঘৰলৈ যাওকগৈ।

বলীন তাৰ গাঁৱৰ ঘৰলৈ গৈ থাকিল। গাঁৱৰ সীমাতে, এজোপা তেঁতেলীৰ তলত মানুহ এজনক বহি থকা দেখা পাই ভাবি থাকিল—মানুহজন কোন? মানুহজন যে তাৰ চিনাকি—তাত সন্দেহ নাই।

বলীনে মানুহজনক সুধিলেগৈ, "ডাঙৰীয়া, মই ইয়াৰ আগতো আপোনাক ক'ৰবাত লগ পাইছিলোঁ। বোধকৰোঁ—ব্ৰহ্মপুৰৰ বৰভাগিনৰ বিয়াত। হয়নে নহয় কওকচোন — ?"

মানুহজনে আমনি পাই ক'লে, "নহয়, আমি লগ পোৱা নাছিলোঁ।"

"এঁ—? ওঁ, হয়, মনত পৰিছে, বৰাহপুৰৰ হাটত আমাৰ দেখাদেখি হৈছিল। মোৰ এইবাৰৰ অনুমান নিৰ্ভুল। মই ঠিক কোৱা নাইনে?" বলীনে সুধিলে।

মানুহজনে অধিক বিতুষ্ট হৈ ক'লে, "একেবাৰেই ঠিক কোৱা নাই।"

"তো—আমি ঠাকুৰ জয়সিংহৰ ভায়েকৰ বিয়াত লগ হৈছিলোঁ।" বলীনে ক'লে।

এইবাৰ মানুহজন বহাৰপৰা পোনদাহে থিয় হৈ উঠিল আৰু ক'লে, "ৰ'বা, বুৰ্বক ক'ৰবাৰ। মই তোমাৰ খুড়াদেউতাৰ ল'ৰা তেজেন। ব'লা মোৰ লগত, তুমি এতিয়াও বলিয়া বলীনেই হৈ আছা।"

এই বুলি কৈ, তেজেনে বলীনক পুনৰ চহৰলৈ লৈ গৈ চিকিৎসকৰ হাততে গটাই দিলে।



নিম

এগৰাকী তিৰোতা হৈঁপাই-ফোঁপাই বৈদ্যৰ কাষ চাপিল : পতি দূৰ দেশলৈ যায়, সুস্থ থকাৰ কি উপায়। তেতিয়া বৈদ্যই তিৰোতাগৰাকীক ক'লে : যাওঁতে তেঁতেলী-তলত, আহোঁতে নিম, আন কোনো দৰব নাই ইমানকে দিম। পতি ৰাওণা হ'ল, গৈ থাকিল তেঁতেলীৰ তলত জিৰণি লৈ লৈ। কিন্তু আদ-বাটতে অসুস্থ হ'ল, তেতিয়া উলটিল নিমৰ তলত বৈ বৈ। আৰু যেতিয়া ঘৰ পালেহি পুনৰ, আগৰ দৰেই সুস্থ দেহ তেওঁৰ।—এয়া হ'ল নিম-সম্পৰ্কীয় এক প্ৰাচীন জনশ্ৰুতি, বহুতৰ মাজত এটি। কোৱা হয় যে—তেঁতেলীয়ে কৰে অসুস্থ, আৰু নিমে কৰে সুস্থ।

নিম যে ঔষধিগুণসম্পন্ন সেই কথাত বিশ্বৰ সকলো একমত। প্ৰধানতঃ নিমৰ কীটনাশক গুণ অত্যধিক। চাবোন আৰু টুথপেস্টত নিমৰ তেল ব্যৱহৃত। গাঁৱত আজিও নিমৰ ঠাৰিৰে দাঁত ঘঁহা পৰিলক্ষিত হয়। নিমৰ পাত ভাজি খোৱা হয়, ৰস উলিয়াই খোৱা হয়। আই বেমাৰৰ কালত নিমৰ ডাল-পাত ঘৰৰ দুৱাৰত, বেমাৰীৰ কোঠাত ওলোমাই ৰখা হয়। জনবিশ্বাস, বছৰৰ প্ৰথম দিনা নিমৰ ফুলৰ ৰস বা ফুল-পাত চোবাই খালে গোটেই বছৰ ধৰি স্বাস্থ্য ভাল হৈ থাকে। নিমৰ নিৰ্য্যাস ক্ষুধাবৰ্দ্ধক। নিম চৰ্মৰোগনাশক, কিন্তু এই বিষয়ে আধুনিক চৰ্মৰোগবিশেষজ্ঞসকলৰ বৃহৎ অংশ ভিন্নমত। নিমগছৰ ডক্কা অতি সুন্দৰ আৰু মজবুত আৰু টান। নিমকাঠ ঘুণে নষ্ট কৰিব নোৱাৰে।

নিমগছ ওখ হয় আৰু অসংখ্য ঠাল-ঠেঙুলি মেলে। নিমৰ ছিৰিলি ছিৰিলি পাতবোৰ দেখাতো বৰ ধুনীয়া। বছৰৰ সকলো ঋতুতেই নিমৰ পাত থাকে। নিমৰ সৰু সৰু বগা বগা সুগন্ধিত ফুল দেখাত মনোহৰ। নিম ফল চোকৰা একৰাই খালে—মিঠা মিঠা লাগে। নিমগছ অসমীয়া বাংলা ওড়িয়া আৰু হিন্দীত নিম, মালয়ালম আৰু তেলুগুত ৱেপা, তামিলত ৱেবু, মাৰাঠীত নিম্বায়, ইংৰাজিত মাৰগোছা।

মহাকবি কালিদাস

মহাকবি কালিদাসৰ নাম নুশুনা কোনোবা ওলাবনে? তেওঁৰ ৰচিত বিক্ৰমাদিত্যৰ কথা নুশুনা মানুহো কমেই ওলাব। চান্দমামাত ওলোৱা 'বেতাল-কথা'ও সেই বিক্ৰমাদিত্যৰ আলমতে ৰচা।

প্ৰাচীন ভাৰতীয় সাহিত্যত মহাকবি কালিদাসৰ কাব্য আৰু নাটকৰ স্থান সুউচ্চ। কালিদাসৰ জীৱন কালৰ কথা প্ৰায় একেবাৰেই সঠিককৈ জনাৰ উপায় নাই। কিছুমান পণ্ডিতৰ মতে কালিদাসৰ জন্মকাল খৃষ্টপূৰ্ব অষ্টম শতিকা, কিছুমানে কয় খৃষ্টপূৰ্ব দ্বিতীয় শতিকা, আকৌ কোনো কোনো পণ্ডিতৰ মতে—চতুৰ্থ শতিকা।

ভাৰতৰ প্ৰাচীন ইতিহাসত বিক্ৰমাদিত্য নামেৰে কেইবাগৰাকীও ৰজাৰ সন্ধান পোৱা যায়। প্ৰথমগৰাকী বিক্ৰমাদিত্যই 'বিক্ৰম শক'ৰ প্ৰচলন কৰিছিল। তেওঁৰ শাসনকাল আছিল খৃঃ পূঃ চতুৰ্থ আৰু পঞ্চম শতিকাৰ মাজত। বহুতৰে বিশ্বাস, কালিদাস এই বিক্ৰমাদিত্যৰ কালৰ আৰু তেওঁৰ ৰাজকবি আছিল। কিন্তু তাৰো প্ৰমাণে নিচেই নামমাত্ৰ। তেতিয়া অৱশ্যে বিখ্যাত 'নৱৰত্ন' পণ্ডিতবৰ্গ থকাৰ কথাও কোৱা হয়। এই 'নৱৰত্ন' হ'ল যথাক্ৰমে —কালিদাস, ধন্বন্তৰী, ক্ষপণক, অমৰসিংহ, শংকু, বেতালভট্ট, ঘটকৰ্পৰ, বৰাহমিহিৰ, বৰৰুচি।

যি কি নহওক। মহাকবি কালিদাস যে উজ্জয়নী নগৰনিবাসী আছিল সেই কথাত সন্দেহৰ থল নাই। প্ৰাচীনকালৰ নগৰসমূহৰ মাজত উজ্জয়নী মুখ্যতম।

মহাকবি কালিদাসৰ সম্পৰ্কে এক জনশ্ৰুতি মতে :

যুৱা কালিদাস আছিল একেবাৰে অনাখৰী। সেই কালৰ এক বিদ্যাগৰ্বী ৰাজকুঁৱৰীয়ে কিছুমান বিদ্যাৱান পণ্ডিতক অপমান কৰাত ক্ৰুদ্ধ পণ্ডিতসকলে অপমানৰ প্ৰতিশোধ ল'বলৈ কৌশল কৰি

অনাথৰী মহামূৰ্খ কালিদাসৰ সৈতে ৰাজকুঁৱৰীৰ যোৰা পাতি দিলে। বিবাহৰ পাছত ৰাজকুঁৱৰীয়ে কথাটো হাড়ে-হিমজুৰে উপলব্ধি কৰিলে আৰু মূৰ্খ পতি কালিদাসক প্ৰাসাদৰপৰা ক'ৰবালৈ গলে গতিয়ায়েই উলিয়াই দিলে।

কালিদাস আছিল কালী গোসাঁনীৰ উপাসক। তেওঁ কালী গোসাঁনীৰ মূৰ্তিৰ সমুখত থিয় হৈ নিজৰ এইহেন অসহন অপমানৰ কথা দেৱীক নিবেদিলে আৰু তাত থকা শূলেৰে নিজক বিদ্ধ কৰিবলৈ ল'লে আৰু লগে লগে গোসাঁনীয়ে কালীঃদাসৰ আগত দেখা দিলে। গোসাঁনীয়ে কালিদাসক মহাকবি হোৱাৰ বৰ দান কৰিলে। এইদৰে, অনাথৰী কালিদাস এদিন মহাকবি হ'ল।

কালিদাসে 'ৰঘুবংশ' আৰু 'কুমাৰ সম্ভৱ' নামৰ দুখন কাব্য ৰচনা কৰিছিল। মহাকবি কালিদাস-ৰচিত তিনিখন নাটকৰ নাম যথাক্ৰমে: 'বিক্ৰমোৰ্বশীয়, 'মালবি-কাগ্নিমিত্ৰম্' আৰু 'অভিজ্ঞান শকুন্তলম্'। তেওঁৰ ৰচিত দুখনৰ মহাকাব্যৰ নাম: 'মেঘদূত' আৰু 'ঋতুসংহাৰ'।

কেৱল সংস্কৃত সাহিত্যতে নহয়, ভাৰতৰ বিভিন্ন ভাষাৰ সাহিত্যতো মহাকবি কালিদাসৰ প্ৰভাৱ অবৰ্ণনীয়।



জানিব লগীয়া

১. ভাৰতত নিৰ্মিত মহাকাশ ক্ষেপণাস্ত্ৰৰ নাম কি? ক'ত প্ৰয়োগ কৰা হৈছিল?
২. সাপ কিমান বিধৰ দেখা যায়?
৩. গুজৰাটৰ পোৰবন্দৰ কিহৰ কাৰণে বিখ্যাত?
৪. ভাৰতৰ দীৰ্ঘতম মন্দিৰ-প্ৰাংগণ ক'ত অৱস্থিত?
৫. টেলিস্কোপৰ আবিষ্কাৰক কোন? কেতিয়া?
৬. 'মাৰদেকা কাপ' কোনবিধৰ খেলৰ?
৭. ভাৰতৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা কেতিয়া হৈছিল?
৮. ভাৰতৰ স্বাধীনতাৰ কাৰণে সংগ্ৰামী আইৰিশ মহিলা কোন আছিল?
৯. ভাৰতৰ 'এ্যাৰ মেইল' কেতিয়াৰপৰা?
১০. 'উড়ন্ত শিখ' নামৰ বিখ্যাত ব্যক্তিৰ প্ৰকৃত নাম কি?
১১. ভাৰতৰ লোকসভাৰ প্ৰথমগৰাকী অধ্যক্ষ কোন আছিল?
১২. 'ব্ৰাহ্ম সমাজ'ৰ প্ৰতিষ্ঠাতা কোন?
১৩. এচিয়াৰ আগ্নেয়গিৰিসমূহৰ মাজত আটাইতকৈ ওখ কোনটো?
১৪. 'সাগৰৰপৰা আকাশলৈ' অভিযানৰ নেতৃত্ব দিছিল কোনে?
১৫. কোন গছে নিজৰ আহাৰ নিজৰ পাততে সাঁচে?

জানক

১. ৰোহিণী, থুম্বাত, ১৯৬৭ ৰ ২০ নভেম্বৰত।
২ ডুহেজাৰতকৈও অধিক।
৩ মহাত্মা গাঁধীৰ (গান্ধী) জন্মস্থান।
৪. ৰামেশ্বৰম্।
৫. নেদাৰল্যাণ্ডৰ হান্‌চ লিপ্পৰছে, ১৬০৮ চনত।
৬. ফুটবল।
৭. ১৯৫১ চনত।
৮. অ্যানে বেশান্ত।
৯. ১৯২১ চনৰপৰা।
১০. মিল্‌খা সিং (১৯৬০ ৰোম অলিম্পিকছ)।
১১. জি. বি. মৱলংকৰ।
১২. ৰজা ৰামমোহন ৰায়।
১৩. আৰ্জেণ্টিনাস্থিত 'আণ্টোফালা,' ৬৪৫০ ফুট ওখ।
১৪. স্যাৰ এডমাণ্ড হিলাৰি।
১৫. বন্ধাকবি।

বন্ধুত্বনাশী

বাৰ বছৰীয়া প্ৰতাপে ঘৰুৱা কাম-বনত তাৰ মাকক আৰু বাহিৰা কাম-বনত তাৰ দেউতাককো পাৰেমানে সহায় কৰিছিল, খেতি-বাতি, গোহালি চাফা, মাটি খন্দা ইত্যাদি কামতো হাত উজান দিছিল। আনকি চুবুৰীয়াইঁতকো টানে-মস্কিলে এই সৰু প্ৰতাপে সহায় তাৰ সাধ্যমতে কৰি দিছিল।

প্ৰতাপৰ নলেগলে লগা বন্ধু আছিল নৰেন। নৰেনইঁতো প্ৰতাপইঁতৰে চুবুৰীয়া; কিন্তু নৰেনইঁত আঢ্যৱন্ত। নৰেনে কোনো কাম-বন কৰিবলগীয়া নহৈছিল। আজৰি পৰতে নৰেনে প্ৰতাপৰ সৈতে গল্প কৰিছিল, প্ৰতাপৰ সৈতে গাঁৱৰ অ'ত ত'ত ঘূৰি ফুৰিছিল, খেল-ধেমালিও কৰিছিল। প্ৰতাপইঁতৰ ঘৰত নৰেনৰ অবাধ অহা-যোৱা; কিন্তু নৰেনইঁতৰ ঘৰলৈ প্ৰতাপ এতিয়ালৈকো এদিনলৈকো যোৱা নাছিল, নৰেনে সিহঁতৰ ঘৰলৈ যাবলৈকো কোৱাও নাছিল কেতিয়াও।

এদিন গাঁৱৰ ল'ৰাহঁতে হৈ-খেদা খেলি খেলি যেতিয়া ভাগৰি পৰিল, তেতিয়া জিৰণি ল'বলৈ বহি সিহঁতে গল্প কৰি থাকিল আৰু তেতিয়া আহিল এজন মিঠাইৱলা। মিঠাইৱলাৰ কথা হ'ল: আজিৰ মিঠাই একদম নতুন মিঠাই, সোৱাদো নতুন জুতিও নতুন। ল'ৰাহঁতে কিনিলে, প্ৰতাপেও কিনিলে; কিন্তু নৰেন মনমাৰি চুপচাপ বহি থাকিল।

প্ৰতাপে নৰেনক সুধিলে, "তোমাৰ ওচৰত পইচা নাইনে কি?"

"পইচা মোৰ লগত সদায়েই থাকে;

ছত্ৰপতি শৰ্মা

পিছে বাহিৰা বস্তু কিনি খাবলৈ মায়ে মানা কৰে। মাৰ কথা মই মানি চলোঁ।" নৰেনে ধীৰে-শাঁতে ক'লে।

"তুমি মিঠাই কিনি খাইছা বুলি তেওঁ গম পাব কেনেকৈনো ? কিনা, আৰু মজা মাৰি আমাৰ লগত জুতি লগাই খোৱা।" প্ৰতাপে নৰেনক ক'লে।

"মায়ে জানে মোৰ জেপত কিমান পইচা আছে, ঘৰলৈ যোৱাৰ লগে লগে মাই চাব যে পইচাখিনি ঠিকেঠাকে আছেনে নাই। যদি নাথাকে, সুধিব যে কি কৰিলোঁ পইচাৰে।—তেতিয়া বাৰু মই কি ক'ম ?" নৰেনে প্ৰতাপক ক'লে।

"কৈ দিবা কিবা এটা—ক'বা যে মগনিয়াৰক দিলোঁ, বা ক'ৰবাত হেৰাল বুলি ক'বা।" প্ৰতাপে নৰেনক সহজ বুদ্ধি এটি দিলে।

"কিন্তু আইতাই কয়—মিছা কথা মহাপাপ নৰক গমন— । আইতাৰ কথা নামানি নোৱাৰোঁ।" নৰেনে ক'লে।

"চোৱাঁ, মোৰ ওচৰত আৰু পইচা আছে। মই কিনি দিলে তুমি খাবানে ? কিয়নো—তোমাৰ মাৰাই মানা কৰিলে যে— !" প্ৰতাপে দুখ মনেৰে ক'লে বেচাৰা নৰেনক।

"তুমি কিনি দিলে নিশ্চয় খাম। কিয়নো—তেতিয়া মোৰ পইচা কম নহ'ব, যিমান আছে সিমানেই থাকিব। মায়ো একো নোসোধে, ময়ো একো নকওঁ। সঁচাৰ কাষেদিও যাব নালাগে, মিছাও ক'ব নালাগে।" এইবাৰ নৰেনেও তাৰ বুদ্ধিৰ খেল দেখুৱালে।

প্ৰতাপে নৰেনক মিঠাই কিনি দিলে আৰু নৰেনে বেছ জুতি লগায়েই খালে আৰু খাই থাকোঁতে প্ৰতাপক ক'লে, "হেঁ, তুমি কিন্তু এই কথা তোমাৰ মাৰাকো নোকোৱা যেন, কিয়নো, তেওঁ যদি কেতিয়াবা মোৰ মাক কয় !"

কিছুদিনৰ পাছৰ কথা, এদিন নৰেনক

ঘৰৰ পৰীয়া হিচাপে থৈ কিবা জৰুৰী কামত নৰেনৰ মাক-দেউতাক কেইঘণ্টা-মানৰ বাবে ওলাল আৰু প্ৰতাপক নৰেনৰ লগত থৈ গ'ল। তাৰ আগতে নৰেনহঁতৰ ঘৰলৈ প্ৰতাপে কোনোদা দিনা ভুমুকিও মৰা নাছিল যে—নৰেনে জানে।

নৰেনহঁতৰ ঘৰটো বিৰাট আৰু অতি ধুনীয়া। নৰেনৰ বাবে আছুতীয়াকৈ কোঠা এটাও আছে। সেই কোঠাটোও বৰ ধুনীয়াকৈ সজোৱা। তাত থৰে-বিথৰে খেলাৰ সামগ্ৰী আৰু আলমাৰীত বিধে৷বিধ কত যে কিতাপ!

চাই প্ৰতাপৰ বৰ আনন্দ হ'ল। প্ৰতাপে ক'লে, "ভাই নৰেন, এইবোৰ বস্তু আৰু কিতাপখিনি অলপ ছুই চাবৰ মন গৈছে।" এই বুলি কৈয়েই প্ৰতাপ আগুৱাই গ'ল সেই সুদৃশ্য আলমাৰী খুলি চাবলৈ।

কিন্তু নৰেনে তাক বাধা দিলে। ক'লে প্ৰতাপক, "কোনো বস্তু বা কিতাপ হাতেৰে নুছুবা। মা-দেউতাই কয় যে হাতেৰে লাৰি-চাৰি থাকিলে বস্তুখিনি বেয়া হৈ যাব।"

"কিন্তু তুমি আমাৰ ঘৰলৈ গৈ যে সকলো বস্তু হাতেৰে লাৰি-চাৰি চোৱা—তাৰ বেলিকা?" প্ৰতাপে খঙতে ক'লে।

"তোমাৰ মা-দেউতাৰাই মানা কৰা নাই নহয়—?" নৰেনে ক'লে।

তাৰ পাছত প্ৰতাপে কথা দিয়া মতে তাত থাকিল, যদিও তাৰ আৰু মুহূৰ্তমানো তাত থকাৰ মন নাছিল, তথাপি থাকিল।

পাছত প্ৰতাপে ভাবিলে: এয়ানো কেনেকুৱা কথা? সি নিজৰ পইচাৰে কিনি নাখায় আনৰ পইচাৰে কিনি বস্তু খায়। সি নিজৰ বস্তু ছুবলৈকো নিদিয়ে, কিন্তু আমাৰ বস্তু সি তাৰ ইচ্ছামতে লাৰি-চাৰি চাব। এইবোৰ বাৰু তাৰ ঘৰৰ শিক্ষানে তাৰ নিজৰ?

এবাৰ গাঁৱত এজন বাঁহীৱলা আহিল,

ভালেমান ল'ৰাই বাঁহীৱলাৰপৰা বাঁহী কিনিলে, দুটকাকৈ। নৰেনেও কিনিলে। কিন্তু প্ৰতাপৰ জেপত তেতিয়া মুঠেই এটাহে টকা আছিল। গতিকে—প্ৰতাপে নৰেনৰপৰা টকা এটা খুজিলে।

নৰেনে ক'লে, "মোৰ ককাই কৈছে যে বন্ধুক কেতিয়াও ধাৰলৈ পয়চা নিদিবা, তেতিয়া বন্ধু আৰু বন্ধু হৈ নাথাকিব, পয়চাই বন্ধুত্ব নষ্ট কৰিব।"

শুনি প্ৰতাপ অত্যন্ত বিতুষ্ট হ'ল। কমেও চাৰি-পাঁচ বাৰ প্ৰতাপে নৰেনক মিঠাই কিনি খুৱাইছিল, আৰু নৰেনেও কোনো ওজৰ-আপত্তি নকৰাকৈয়েই খাইছিল। কিন্তু—ই নো কেনেকুৱা বন্ধু যে কেৱল লয়, নিদিয়ে?

প্ৰতাপে ক'লে নৰেনক, "পইচা ধাৰলৈ দিলে বন্ধুত্ব নষ্ট হয়, নহয় জানো? ঠিক আছে, আমাৰো বন্ধুত্ব তেন্তে—নষ্ট হ'ল বুলিয়েই জানি থোৱা।"

"এনেকৈ নক'বা। তোমাৰ বন্ধুত্ব বিনে মই থাকিব নোৱাৰিম, বাঁচিব নোৱাৰিম।" ক'লে নৰেনে, কিন্তু টকা এটা কিন্তু তথাপি নিদিলে।

ইতিমধ্যে ৰমেশ নামৰ ল'ৰা এজনে প্ৰতাপক এটা বাঁহী কিনি দিলে। ৰমেশে প্ৰতাপক ক'লে, তুমি বহুবাৰ আমাক বহুতো কিবাকিবিৰে সহায় কৰিছা। বাঁহী এটাৰে কিন্তু তোমাৰ সহায়ৰ ঋণ পৰিশোধ কৰা বুলি নাভাবিবা।"

প্ৰতাপে আনন্দৰে ৰমেশ ক'লে, "এয়া লোৱা, এটা টকা মোৰ আছে, অৰু এটা কালিলৈ দিম তোমাক।" প্ৰতাপে জোৰ কৰি টকাটো ৰমেশৰ জেপত ভৰাই দিলে আৰু নৰেনক ক'লে, "চোৱা, ইয়াকে কয় বন্ধু, দোস্ত হো তো অ্যায়ছা।"

নৰেন কিঞ্চিত শেঁতা পৰিল; কিন্তু পাছ মুহূৰ্ততে কৈ উঠিল, "আজিৰপৰা সিও মোৰ বন্ধু হ'ল। তোমাৰ বন্ধু মোৰ বন্ধু।"

"মই তোমাৰ বন্ধু নহওঁ, কিয়নো,

তুমি বাঁহী কিনাৰ বাবে টকা এটা দিলেই বন্ধুত্ব নষ্ট হ'ব বুলি কৈছিলা।" প্ৰতাপে খাৰাংখাচ কৈ দিলে।

তেতিয়াৰেপৰাই প্ৰতাপে নৰেনক এৰাই চালিছিল। নৰেনে ঢেৰ চেষ্টা কৰিছিল, কিন্তু প্ৰতাপে তাৰ সৈতে আনকি মাত-বোলকে নকৰা হৈছিল। তেতিয়া নৰেনে প্ৰতাপৰ ককাকক প্ৰতাপৰ কথা কোৱাত তেওঁ প্ৰতাপক ক'লে, "তুমি নৰেনৰ নলগল বন্ধু বুলিহে আমি জানিছিলোঁ। কিন্তু ইমান আত্ম-স্বাৰ্থী হলে নহয় নহয়—!"

"আত্মস্বাৰ্থী মই নে সি—?" প্ৰতাপে তাৰ ককাক সুধিলে।

"শুনা, নৰেন হ'ল তোমাৰ বন্ধু। তাক তুমি যে বস্তু কিনি খুৱাইছিলা—সেয়া তোমাৰ সদগুণ। কিন্তু প্ৰতিফলৰ আশা কৰাৰ অৰ্থ হ'ল—স্বাৰ্থ। এই সকতেই ইমান স্বাৰ্থী হোৱা ভাল নহয়।" ককাকে প্ৰতাপক বুজালে।

প্ৰতাপে ক'লে, "কিন্তু সি কেতিয়াও সেই বুলি মোৰ কাৰণে কিবা নকৰিবনে?"

"সেয়া তাৰ কথা—সি তোমাৰ কাৰণে কিবা কৰিবনে নকৰে—তোমাৰ বিচাৰ্য্য নহয়। বন্ধুত্ব দিয়া-নিয়াৰ দৰে বেপেৰুৱা বিষয় নহয়।" ককাকে ক'লে।

"তাৰ মানে—নৰেনৰ কোনো দোষেই নাই?" ক্ষুব্ধ প্ৰতাপে ক'লে।

"দোষ তাৰ নহয়, তোমাৰ। কিয়নো—তুমি তাৰ কাৰণে যি কৰিলা, তাক ভাল লগাবৰ কাৰণে কৰিলা; কিন্তু তোমাক ভাল লাগাবলৈ তাক তুমি বাধ্য কৰিব নোৱাৰা।" প্ৰতাপক তাৰ ককাকে বুজাই ক'লে।

সঠিককৈ নহ'লেও প্ৰতাপে তাৰ ককাকৰ কথাখিনিৰে এই কথা উপলব্ধি কৰিলে যে প্ৰতিদানৰ আশা কৰিহে সি ভুল কৰিছিল। প্ৰতিদান বন্ধুত্বনাশী।

শেষ সন্মান

এজন সুখী খেতিয়কৰ চাৰিজন ল'ৰা আছিল। ল'ৰা চাৰিজনও আছিল কৰ্মঠ তথা বাধ্য ভদ্ৰ ল'ৰা। ডাঙৰে ডাঙৰ কাম-কাজৰ চোৱা-মেলা কৰিছিল, দ্বিতীয়জনে গৰু-ম'হ আৰু অন্যান্য ঘৰচীয়া পশু-পক্ষীবো চোৱা-মেলা কৰিছিল, তৃতীয়ই খেতি-বাতিত হাত উজান দিছিল, আৰু চতুৰ্থ তথা নুমলীয়াজনে বিদ্যাচৰ্চাৰ লগতে ঐশ্বৰিক কাম-কাজ নিয়াৰিকৈ কৰিছিল।

তাৰ পাছত—যেতিয়া খেতিয়কৰ তিনিকাল গৈ একালত লাগিল, তেতিয়া তেওঁ তেওঁৰ ল'ৰা চাৰিজনক মতাই অনাই ক'লে, "বোপাহঁত, আমি আনৰ কাজিয়া-কন্দলৰ মীমাংসা কৰিছোঁ, কিন্তু আমাৰ কাজিয়া-কন্দলৰ কোনো কাৰণো ঘটা নাছিল। তোমালোকেও, মোৰ মৃত্যুৰ অন্ততো আমাৰ বংশৰ এই ধাৰা বজায় ৰাখিবা বুলি আশা কৰিছোঁ। মোক মৰণে মাতিছে যেনেই পাইছোঁ। মোৰ এই পালেঙৰ চাৰিটা খুটা আছে, তোমালোকে এজন এজনকৈ একোটা খুটাৰ ওচৰত থিয় হোৱা। মোৰ মৃত্যুৰ অন্তত নিজৰ নিজৰ খুটাৰ ওচৰত খান্দি চাবা, যি পাবা ল'বা, কাজিয়া-কন্দল নকৰিবা।"

ল'ৰা চাৰিজন পালেঙৰ খুটা চাৰিটাৰ কাষত থিয় হ'লগৈ।

খেতিয়ক চন্দ্ৰমাধৱ সজ্ঞানেই ঢুকাল। পিতাকৰ দাহ-সংকাৰ কৰাৰ অন্তত পিতাকে কৈ যোৱা মতে ল'ৰাহঁতে নিজ খুটাৰ ঠাইবোৰ খান্দিবলৈ ধৰিলে।

ডাঙৰে বহুদূৰলৈকে খান্দিও শাক-পাচলিৰ টুকুৰা বাদে একো নাপালে, দ্বিতীয়-

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

জনে পালে গোবৰ, তৃতীয়ই মাটি, কিন্তু মুমলীয়াই পালে ধন-সোণ। এই কাণ্ড চাই প্ৰথম দ্বিতীয় তৃতীয়ৰ উঠিল উগ্ৰ খং।

তিনিও তিনিওকো ক'লে, "চা, দেউতাৰ কাণ্ড চা। তাক যে দেউতাই আমাতকৈ বেছি মৰম কৰিছিল, জানো; কিন্তু সেইবুলি ইমান অন্যায় সহিমনে? কিয় কেৱল সিয়েই ধন-সোণ পাব?"

"শুনা—" চতুৰ্থই শান্ত কণ্ঠেৰে ক'লে, মই মোৰ ইচ্ছামতে পালেঙৰ খুটা বাছি লোৱা নাছিলোঁ। যেতিয়া তোমালোক একোটাকৈ খুটাৰ ওচৰত থিয় হ'লগৈ, তেতিয়াহে মই থিয় হৈছিলোঁহি এই খুটাটোৰ ওচৰত। এয়া ভাগ্যৰহে কথা, দেউতাৰ দোষ নাই।"

কিন্তু চতুৰ্থজনৰ কথা সিহঁতে নামানিলে, সিহঁতে ক'লে, "আমি কপিলেশ্বৰ মন্দিৰলৈ যাম, তাত গাঁওবুঢ়াই ন্যায়বিচাৰ কৰি যি ক'ব তাকে মানিম।"

ন্যায়াধিকাৰী গাঁওবুঢ়াই সিহঁতৰ কথা-খিনি ধৈৰ্য্য ধৰি শুনিলে আৰু অলপ পৰলৈ ভাবি লৈ সুধিলে, "তোমালোকৰ দেউতাৰ সা-সম্পত্তি কি আছে খুলিমেলি কোৱাচোন মোক?"

খেতিয়কৰ চাৰিও ল'ৰায়েই একে একে ক'লে যে সিহঁতৰ দেউতাকৰ ধন-সোণ খেতি-বাতি পশু-পক্ষী বেহা-বেপাৰ —সকলো আছে, কোনো অভাৱ নাই।

ন্যায়াধিকাৰী গাঁওবুঢ়াই ক'লে, "তেনেহ'লে তোমালোকৰ পিতাদেউৰাই সঠিকভাৱেই সকলো ভগাই দি গ'ল। ডাঙৰে কৰক বেহা-বেপাৰ, দ্বিতীয়ই পালক পশু, তৃতীয়ই খেতি-বাতি আৰু চতুৰ্থই পাওক নগদ।"

ন্যায়াধিকাৰীৰ বিচাৰত তুষ্ট হৈ চাৰিও-জনেই কাজিয়া-কন্দল নকৰাকৈ — সিহঁতৰ পিতৃৰ শেষ ইচ্ছাৰ প্ৰতি সন্মান জনাই একেলগ হৈ তাৰপৰা গ'লগৈ।

ଖୁବ୍ ଶୀଘ୍ର ପହଞ୍ଚୁଛି ଅପ୍ରେଲ ସଂଖ୍ୟା

ସଚିତ୍ର ବିଜୟା

ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ :
ଓଡ଼ିଶାର ବିଚ୍ଛିନ୍ନାଞ୍ଚଳର ଜୀବନ,
ଆଶା ଓ ଅନ୍ତର୍ଦ୍ୱନ୍ଦ ଉପରେ ଏକ ସର୍ବେକ୍ଷଣ

ପରମ୍ପରା :
'ନଈ ନଉକାର ମିତ
ଚଇତି ଘୋଡ଼ାର ଗୀତ'
ରଙ୍ଗୀନ ଦ୍ୱିପତ୍ର :
ଚଇତି ଘୋଡ଼ା ନାଚ



- ଦ୍ରୁମ ମହାଦ୍ରୁମ : **ଅଶୋକ ଗଛର କାହାଣୀ**
- **ସ୍ମୃତି ସଂଜୀବନୀ :**

ମନୋଜ ଦାସଙ୍କ ଧାରାବାହିକ ସ୍ମୃତି-କଥା
'ସମୁଦ୍ର କୂଳର ଏକ ଗାଁ'ର ୭ମ ପର୍ଯ୍ୟାୟ: ଦୁଇ ପଲ୍ଲୀ ପୁରୁଷ

- ଅନ୍ତରାଗ : **ରଣପୁର ରାଜା ଦିଲ୍ଲୀପଚନ୍ଦ୍ର ଓ ରାଣୀ ତୃପ୍ତି ମଞ୍ଜରୀଙ୍କ ସହ ସାକ୍ଷାତ**
- ଗଳ୍ପ : **କଇଳାଶ ପଟ୍ଟନାୟକ, ସୈରିନ୍ଧ୍ରୀ ସାହୁ, ପ୍ରଶାନ୍ତ ମହାନ୍ତି**
- ରମ୍ୟ ରଚନା : ***ମାୟାଧର ଦାସ***
- ଅନ୍ତଃପୁର : **କେତେ ଆଶା, କେତେ ପେଶା**

ସାଂସ୍କୃତିକୀ :

'ଇନ୍‌ଟାକ୍'ର ଐତିହ୍ୟ ପଦଯାତ୍ରା

ଏକାନ୍ତ ପଲ୍ଲୀ :

ଚିଲିକା କୂଳର କୈବର୍ତ୍ତ ଗାଁ

ଦୃଷ୍ଟିପାତ : ଆସାମର ରଂଗାଲି ବିହୁ

ଏହା ବ୍ୟତୀତ ଅନ୍ୟ ଜଗତ : ଅନନ୍ୟ ଅନୁଭୂତି, ବିଚିତ୍ର ଓଡ଼ିଶା, ଓଡ଼ିଶା ବାହାରେ ଓଡ଼ିଆ, ବିଦୂଷକ ଉବାଚ୍, ଗ୍ରହବିହାର, ବଡ଼ଙ୍କ ପାଇଁ ଉପକଥା, ସମ୍ବାଦ ସମୀକ୍ଷା, କବିତା, ପରିବେଶ, ସମୟ ଢେଉରେ ଆଦି ଅନେକ ଆକର୍ଷଣୀୟ ବିଭାଗ ସହ ସଚିତ୍ର, ରଙ୍ଗୀନ ଓଡ଼ିଆ ଭାଷାରେ ଅନବଦ୍ୟ ପତ୍ରିକା। ଦାମ୍ ମାତ୍ର ଟ.୧୦-୦୦। ପତ୍ରିକା ପାଇଁ ଆପଣଙ୍କ ନିକଟସ୍ଥ 'ଇହମାନ୍ଁ' ଏଜେଣ୍ଟଙ୍କୁ ଭେଟନ୍ତୁ।

ଚିତ୍ର ଓ ବୈଚିତ୍ର୍ୟମୟ ଏ ଅଭିନବ ସମ୍ଭାର ଅବିଳମ୍ବେ ସଂଗ୍ରହ କରନ୍ତୁ !

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ জুন মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।

Shanbagavalli



Sundaramurthy

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ ফেব্ৰুৱাৰিৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নৃত্যৰ ছন্দেৰে মই

দ্বিতীয় ফটো : প্ৰভুকো কৰিম জয়

জ্যোতিস্মিতা খাউন্দ ধেনুচোচা বোৰহাট ৭৮৫ ০০২ অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

এনে ঘটনাও ঘটে!
এটা ধুনীয়া আবেলি। ৰাজু স্কুলৰ পৰা ঘৰলৈ বুলি আহি আছিল। হঠাতে বৰ জোৰেৰে বতাহ বলিবলৈ ধৰিলে। এটা উৰণীয়া-চকিয়া আকাশৰ পৰা উফি আহি ৰাজুৰ সন্মুখতে পৰিল।
তাৰ পৰা বাওনা এটা ওলাই ৰাজুক সুধিলে:
"মোৰ লগতে সখি পাতিবা?"
"কি... কি... কিন্তু তুমিনো কোন?"
"মই মংগল গ্ৰহৰ পৰা আহিছোঁ ইয়াত সখি পাতিবলৈ।"
ৰাজুৰ মুখৰ পৰা কথা কোনোবাকৈয়ে ওলাই গ'ল—
"ঠিক আছে।"
"তেন্তে এয়া লোৱাঁ আমাৰ বন্ধুত্বৰ প্ৰমাণ হিচাবে। মোৰ অতি পচন্দৰ, যিটো তোমালোকৰ পৃথিৱীৰ যাদু!"
"যাদু?"
"হয়তো যাদু! গুটিও নাই, বাকলিও নাই, আমৰ বিশেষ মজা দিয়ে।"
"আম? বাকলিও? সোনকালে দিয়াঁ।"
"তেন্তে সখি, মুখ খোলা, চকু জপোৱাঁ টাইট আৰু এয়া লোৱাঁ মোৰ মনৰ মেংগোবাইট"
"উঃ! মেংগো বাইট!"
ৰাজু আনন্দত আত্মহাৰা হৈ গ'ল, তাৰমানে তাৰ প্ৰিয় মেংগোবাইট মংগল গ্ৰহতো প্ৰিয়!
ৰাজুৱে মেংগোবাইট মুখত সুমুৱাবলৈহে পালে, নতুন সখিয়ে মেংগোবাইটেৰে ভৰা বাকচ এটা তাৰ হাতত দিলে আৰু "আকৌ লগ পাম" বুলি কৈ উৰি গুচি গ'ল।
mango bite
পাৰ্লে
মেংগো বাইট